3/10/89

NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. XIV
## NO. 10

The 20th February 1976

सत्यमेव जयते

1989

PRINTED AT GUPTA PRINTERS, GUWAHATI-781 006

NOT [illegible] SUE
A. L. [illegible] RY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

## BUDGET SESSION

## VOLUME—XIV

## No. 10

Dated the 20th February, 1976

CONTENTS


| | | PAGES |
|---|---|---|
| 1. | Questions and Answers | 1—29 |
| 2. | Motions | 29—49 |
| 3. | Adjournment | 50 |

Proceedings of the Fourteenth Session of the Assam Legislative Assembly assembled after the Fifth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Gauhati On Friday, the 20th February, 1976 with the Hon'ble Speaker in the Chair, 13 (Thirteen) Ministers, 6 (Six) Ministers of State, 1 (One) Deputy Minister and 54 (Fifty four) Members present

## STARRED

## QUESTIONS AND ANSWERS

Date : 20th February, 1976

---

বি ঃ বেচৰকাৰী কলেজ্

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে সুধিছে ঃ

*১০৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কিমানখন বেচৰকাৰী কলেজ এই বছৰ চৰকাৰে লোৱাৰ সম্ভাৱনা আছে ?

(খ) বৰ্ত্তমান কিমানখন চৰকাৰৰ তত্বাৱধানত আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৮। (ক)—এই বিষয়ে চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

(খ)—চৰকাৰী কলেজৰ তালিকা তলত দিয়া হ'ল।

১। কটন কলেজ—গুৱাহাটী

২। ডিফু কলেজ—ডিফু

৩। হাফলং কলেজ—হাফলং

৪। বিজ্ঞান কলেজ—যোৰহাট

৫। সংস্কৃত কলেজ—গুৱাহাটী

৬। পোষ্ট গ্ৰেজুৱেট টিচাৰ ট্ৰেইনিং কলেজ—যোৰহাট।

৭। গোৱালপাৰা বি, টি কলেজ

৮। চৰকাৰী আইন কলেজ—গুৱাহাটী

শ্ৰীআব্দুল হান্নান চৌধুৰী ঃ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই সংক্ৰান্তত ২৩ চেপ্তেম্বৰ নে অক্টোবৰত ৭৯ খন কলেজ চৰকাৰে লব বুলি বাতৰি প্ৰকাশ হৈছিলে, এই কথা জানে নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ মুখ্যমন্ত্ৰীয়ে তেনেকুৱা কথা নাজানে।

শ্ৰীআতাউৰ ৰহমান ঃ কিছুমান কলেজ প্ৰাইমাৰী স্কুলৰ দৰে চৰকাৰীকৰণ কৰা কথাটো চৰকাৰে চিন্তা কৰিছে নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ এতিয়ালৈকে তেনেকুৱা চিন্তা কৰা নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ যিখন আইন কলেজ চৰকাৰে ললে সেইখন বৰ্ত্তমান ক'ত স্থাপন কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ বৰ্ত্তমান কটন কলেজতে চলি আছে।

শ্ৰীপ্ৰেম বৰা ঃ অসমত বৰ্ত্তমান বেচৰকাৰী কলেজৰ সংখ্যা কিমান জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ বেচৰকাৰী কলেজৰ সংখ্যা বহুতেই আছে।

শ্ৰীলীলা কান্ত বৰা ঃ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এতিয়ালৈকে চিন্তা

কৰা হোৱা নাই কিন্তু আমি জনামতে কিছুমান কলেজৰ তথ্য-পাতি সংগ্ৰহ কৰিছে। যদি চিন্তা কৰাই নাই তেনেহলে তথ্যপাতি কিয় সংগ্ৰহ কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ তথ্য-পাতি সংগ্ৰহ কৰাৰ পাচতহে চিন্তা কৰা হয়।

বিঃ নলবাৰী মহকুমাত অসামৰিক হস্পিতাল

শ্ৰীবদন চন্দ্ৰ তালুকদাৰে সুধিছে ঃ

*১০৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নলবাৰী মহকুমা অসামৰিক হাস্পাতালৰ বাবে জমী অধিগ্ৰহণ কৰা হৈছে নেকি?

(খ) যদি হৈছে কেতিয়া অধিগ্ৰহণ কৰা হল আৰু কিমান জমী লোৱা হল?

(গ) অধিগ্ৰহণ কৰা জমীত নতুন হাস্পাতাল নিৰ্মাণ কৰা হল নে?

(ঘ) যদি হৈছে তেনেহলে বৰ্ত্তমান কি অৱস্থাত আছে আৰু কেতিয়ালৈ নতুন হাস্পাতালখন উদ্বোধন কৰা হব?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৭। (ক) আৰু (খ)—নলবাৰীত নতুন অসামৰিক হাস্পাতাল নিৰ্মাণ কৰিবৰ কাৰণে চৰকাৰে ২০-১-৭১ তাৰিখে ১৫ বিঘা ২ কঠা ৭লেচা জমী অধিগ্ৰহণ কৰিছে।

(গ)--এতিয়ালৈকে নতুন হাস্পাতালৰ ঘৰ-দুৱাৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই।

(ঘ)—আৱশ্যকীয় ধনৰ ব্যৱস্থা হলেই মিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৭১ চনতে প্ৰায় ১৫ বিঘা মাটি হস্পিটালৰ বাবে অধিগ্ৰহণ কৰা হৈছিল? এই কথা সচানে যে এই জমিৰ ওপৰত ঘৰ নিৰ্ম্মাণৰ প্ৰকল্প তৈয়াৰ কৰা হৈছিল আৰু তাৰ বিভাগীয় অনুমোদনও হৈছিল।

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ কথাটো সচা। ১৯৭১ চনতে যিখিনি মাটি অধিগ্ৰহণ কৰা হৈছিল তাত ৪৮ লাখ টকাৰ প্ৰকল্প কৰা হৈছিল আৰু সেই প্ৰকল্পমতে পাইলড্ৰাইভ সহ ৩ মহলীয়া ঘৰ কৰাৰ কথা আছিল আৰু সেইটো কৰিলে খৰছ বেছি পৰিব বুলি জনাইছে। কিন্তু মাটিৰ পৰীক্ষা কৰাৰ পাচত এইটো সুবিধাজনক নহব বুলি সেইটো কৰিব পৰা নহ'ল আৰু এতিয়া সেই অবস্থাতে আছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মন্ত্ৰী মমহোদয়ৰ পৰা জানিব বিচাৰিছো এই প্ৰকল্প তৈয়াৰ কৰোতে কিমান টকা খৰছ হ'ল আৰু এই প্ৰকল্প কৰাৰ আগতে মাটি পৰীক্ষা কৰা হৈছিল নে নাই?

শ্ৰীগিবিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ প্ৰকল্প গড়কাপ্তানি বিভাগে কৰিছিল গতিকে কিমান খৰছ হৈছে সেইটো তেওঁলোকেহে জানিব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ গড়কাপ্তানি বিভাগে প্ৰকল্প কৰিলেও স্বাস্থ্য বিভাগৰ কাৰণেহে কৰিছিল। গতিকে প্ৰকল্প কৰোতে কিমান টকা খৰছ হৈছিল আৰু জমিটো চাই লৈছিল নে নাই জনাব নেকি?

শ্ৰীগিবিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ জমীটো ১৯৭১ চনতে চোৱা আৰু ১৯৭৩ চনতহে প্ৰকল্প দিছে। সাধাৰণতে প্ৰকল্প কৰি দিলে কিমান খৰছ পৰে সেইটো আমাক নজনাই, মাত্ৰ কৈছে যে ৪৮ লাখ টকা লাগিব আৰু পাইলড্ৰাইভ কৰিব লাগিব—তেওঁলোকে কৈছে 'Since the cost was excess and as soon as it is found that the piles-drive foundation should be avoided, it was stopped from the P.W.D., পাচত আমি গড়কাপ্তানি বিভাগৰ পৰা স্পষ্টিকৰণ বিচাৰিলো আৰু তেওঁলোকে এইদৰে দিলে P.W.D. clarified that it would not be possible to construct piles foundation in view of the bad soil condition. গতিকে পাইল ড্ৰাইভ কৰি ৪৮ লাখ খৰছ কৰাটো সমীচিন বুলি নাভাবিলো। মই ১৯৭৫ চনত তালৈ গৈছিলো আৰু তাত আৰু অলপ মাটি অধিগ্ৰহণ কৰি ২৫ বিঘা মাটিত অসম টাইপ ঘৰ কৰাৰ ব্যৱস্থা কৰি আহিছো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ২৫ বিঘা মাটিত এতিয়া অসম টাইপ ঘৰ বনাব। মই জানিব বিচাৰিছো এই মাটি লোৱা হৈছে নে নাই ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ মাটি লোৱা হৈছে কিন্তু অৱজেকচন হোৱা কাৰণে আৰু তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মাটি কেতিয়া আৰু কি ধৰণে লোৱা হৈছে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ একুইজিচন কৰি লোৱা হৈছে কিন্তু অৱজেকচন অহা বাবে মহকুমাধিপতিক তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ এতিয়ালৈকে সচাকৈ মাটি লোৱা হৈছে নে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ মাটি লোৱা হৈছে ২ লাখ ৮১ হাজাৰ টকাত কিন্তু আপত্তি অহাৰ বাবে আকৌ তদন্তলৈ পঠিওৱা হৈছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ অধিগ্ৰহণ কৰা মাটি চৰকাৰৰ হাতলৈ আহিছে নে নাই আৰু মাটিৰ দাম দিয়া হৈছেনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ দাম দিয়া হোৱা নাই যিহেতু আপত্তি আছে আৰু গড়কাপ্তানি বিভাগক দিয়া হোৱা নাই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ কোনে আপত্তি কৰিছে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ তাৰ এগৰাকী মানুহে আপত্তি কৰিছে কাৰণ তেওঁৰ যিখিনি মাটি পৰিছে সেইখিনি মাটি দিয়াত ৰাজি নহয় তাৰ পৰিবৰ্ত্তে অন্য এঠাইত মাটি দিম বুলি কৈছে আৰু সেই মাটিখিনি উপযুক্ত হব নে নহয় সেই বিষয়ে তদন্ত কৰি আছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ যাৰ পৰা এই মাটি লোৱা হৈছে তেওঁৰ লগত আলোচনা কৰি এই মাটি লোৱা হৈছে নেকি ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ নহয়, চাৰ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ ইয়াৰ আগতে মন্ত্ৰী মহোদয়ে মাটি লোৱা হৈছে

বুলি কৈছে আৰু এতিয়া আপত্তি কৰা বাবে তদন্ত কৰিবলৈ দিয়া বুলি কৈছে, এতিয়া আমি কোনটো বিশ্বাস কৰিম ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ মাটি লোৱা হৈছিল। কিন্তু যিহেতু তেওঁ সমান পৰিমাণৰ মাটি অইন ঠাইত দিয়াৰ কথা কৈছে গতিকে মাটি চমজি লোৱা নাই আৰু টকাও দিয়া নাই। আৰু যিখিনি মাটি দিব বিচাৰিছে সেই মাটিখিনি উপযুক্ত হব নে নহয় সেই বিষয়ে তদন্ত চলি আছে।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ মই আগতেই কৈছিলো যে যোৱা বাজেট অধিবেশনত এই প্ৰশ্নৰ সন্দৰ্ভত মাননীয় মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিছিল যে এই বছৰৰ ভিতৰতে এই হস্পিতালৰ কাম আৰম্ভ কৰা হব আৰু বাইজকো আশ্বাস দিছিল যে এই হস্পিতালৰ কাম অতি শীঘ্ৰে আৰম্ভ কৰা হব, মই জানিব পাৰোনে এই হস্পিতালৰ কাম এই ফাইনেনচিয়েল ইয়াৰৰ ভিতৰত আৰম্ভ কৰা হয় ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ এই ফাইনেনচিয়েল ইয়াৰত আৰম্ভ কৰাটো সম্ভৱ নহয়েই আনকি পঞ্চম পৰিকল্পনাত হব নে নহয় কব নোৱাৰো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ তাৰ মানে এই হস্পিতালৰ আৰু আশা নাই বুলি ধৰিব লাগিব নেকি ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) ঃ যি ধৰণে দেখা গৈছে, আশা দেখা নাই।

Started Question 110 was not put Member being absent.

Re : Vacant Posts of L. P. School Teachers

Shri KABIR CHANDRA ROY PRADHANI asked :

*111. Will the Minister-in-charge of Education be pleased to state—

(a) Total number of posts of L. P. School Teachers at present lying vacant all over the State ?

(b) When these will be filled up ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

111, (a)—At present there are 1177 L. P. School Teachers lying vacant all over the State.

(b)—The posts will be filled up as soon as possible.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ যোৱা ৫ চেপ্তেম্বৰৰ পৰা এইবিলাক ভেকেন্সি পৰি আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ সেইটো কথা হয়।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ বহুদিন ধৰি এই স্কুল বিলাকত শিক্ষক নথকাৰ কাৰণে ৩।৪ খন স্কুলত এজন শিক্ষকে চলাই থকাৰ কাৰণে সেই স্কুল বিলাকৰ ছাত্ৰ-ছাত্ৰী বিলাকৰ পঢ়া-শুনাত যথেষ্ট অসুবিধা হৈছে বুলি চৰকাৰে নাভাবে নে ? তাতে আকৌ পৰীক্ষা সন্মুখত থকাৰ কাৰণে ছাত্ৰ-ছাত্ৰী বিলাকে যথেষ্ট অসুবিধা পাইছে। গতিকেই তাত অতি সোনকালে শিক্ষক দিয়াৰ কাৰণে ব্যৱস্থা কৰিব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ শিক্ষক নথকাৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা দানত অসুবিধা হোৱা কথাটো চৰকাৰে অনুভৱ কৰিছে আৰু সেইকাৰণেই যিবিলাক স্কুলত শিক্ষকৰ সংখ্যা বেচি আছে তাৰ পৰা শিক্ষক নি যত শিক্ষকৰ সংখ্যা কম, তালৈ পঠিয়াই শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ যিবিলাক ঠাইত শিক্ষকৰ সংখ্যা কম, তালৈ য'ত বেচি শিক্ষক আছে তাৰ পৰা নি শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে কিন্তু এনেকুৱাও দেখা যায় যে কোনো কোনো সময়ত শিক্ষক সকলক এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰোতে তেওঁলোকে যাবলৈ ইচ্ছা নকৰে কাৰণেই তেওঁলোকক আগৰ ঠাইতেই ৰাখিবলগীয়া হয় ফলত যিবিলাকত শিক্ষক নাই সেই স্কুল বিলাকত শিক্ষকৰ অভাৱ হোৱাত স্কুল বিলাকত ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ ঠায়ে ঠায়ে এনেকুৱা অসুবিধা নোহোৱা

নহয়, যিমান সোনকালে পৰা যায় এই অসুবিধাবোৰ দূৰ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে ।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ চৰকাৰে টকা বচাব বিচাৰিছে নেকি? যিহেতু ১১৭৭ জন শিক্ষকৰ পোষ্ট খালি হৈ পৰি আছে, তেনে ক্ষেত্ৰত অতি সোনকালে এই পোষ্ট বিলাক ফিল আপ কৰা হব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ চৰকাৰে টকা বচাবৰ কাৰণে ব্যৱস্থা কৰা নাই, এতিয়া যিহেতু ৪৫ হাজাৰ শিক্ষক আছে তেনে ক্ষেত্ৰত ১১৭৭ জন শিক্ষক নথকাৰ কাৰণে যিমান ক্ষতি হৈছে বুলি ভাবিছে সিমান ক্ষতি হোৱা নাই কিয়নো এই ৪৫ হাজাৰ শিক্ষকৰ ভিতৰত যত যত বেচি আছে তাৰ পৰা নি এই অসুবিধাবোৰ দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে।

Re : Madrassa

Shri ABDUL MUQTADIR CHOUDHURY asked :

★112. Will the Minister-in-charge of Education be pleased to state—

(a) Whether there is any scheme proposed or approved by the Government to bring the Madrassa under deficit system?

(b) Whether the Madrassa employees are selected through any State Selection Committee?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

112. (a) Yes, there is a scheme and it is under consideration of Government.

(b)—No.

Shri Abdul Muqtadir Choudhury : Sir, is it a fact that during the last 11 years since 1964 no Madrassa was brought under

the deficit system? consideration fo bring-

Shri Sarat Chandra Sinha (Chief Minister) : Sir, it will be difficult for me to give the exact number, but, Sir, some Madrassas were taken under the deficit system and some more under ing them under the deficit system.

Shri Abdul Muqtadir Choudhury : Sir, my question was whether during the last 11 years Madrassa was brought under the deficit system.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, I will have to look into.

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী ঃ যোৱা বছৰেই এই চিনিয়ৰ মাদ্ৰাছা ডেফিচিট চিচটেমত লোৱা কথা আছিল কিন্তু প্ৰস্তাৱটো ফাইনেন্সে টাৰ্ণ দাউন কৰিছে, এইটো কথা সঁচা নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ সেইটো এতিয়া বিবেচনা হৈ আছে।

Shri Abdul Muqtadir Choudhury : Sir, is it a fact that certain Madrassas are getting special treatment because of the support of some very influencial persons?

Shri Sarat Chandra Sinha (Chief Minister) : No Sir. It is not so.

শ্ৰীআতাউৰ ৰহমান ঃ চিনিয়ৰ মাদ্ৰাছা বিলাক দেফিচিট চিচটেমত লোৱা কথা আছিল সেইটো কি কৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ আছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ যিহেতু এই মাদ্ৰাছা বিলাকত হিন্দী চাবজেক্টতো কমপালচৰি তেনে ক্ষেত্ৰত এই মাদ্ৰাছা বিলাকত হিন্দীৰ টিচাৰ লোৱাৰ কাৰণে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ অকল এই মাদ্ৰাছা বিলাকতেই যে হিন্দী

শিক্ষক দিব পৰা হোৱা নাই সেইটো নহয় আন আন বহুতো স্কুলত হিন্দী শিক্ষক দিব পৰা নাই। সেইবিলাক কথাই এতিয়া বিবেচনা কৰি থকা হৈছে।

Starred Question No 113 was not put Member being absent.

বি ঃ ষ্টেডিয়াম

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১১৪। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চতুৰ্থ যোজনাৰ সময়ছোৱাত ক্ৰীড়া সংক্ৰান্তত কি কি আঁচনি লোৱা হৈছে ?

(খ) প্ৰত্যেক মহকুমাত ষ্টেডিয়াম গঠন কৰা প্ৰস্তাৱ চৰকাৰে কাৰ্য্যকৰী কৰিবনে ?

(গ) নেহৰু ষ্টেডিয়ামটো চৰকাৰীকৰণ কৰাৰ প্ৰস্তাৱটো চৰকাৰে বিবেচনা কৰিছেনে ?

(ঘ) যদি কৰিছে কেতিয়াৰ পৰা লোৱা হব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৪। (ক)—চতুৰ্থ যোজনাৰ সময়ছোৱাত চৰকাৰে ৰাজ্যিক ক্ৰীড়া পৰিষদৰ জৰিয়তে যি আঁচনি লৈছে সেই বিলাকৰ এখন তালিকা সদনৰ মেজত (সহ-পত্ৰত) দিয়া হল।

(খ)—ৰাজ্যিক ক্ৰীড়া পৰিষদে প্ৰত্যেক মহকুমাত ইউটিলিটি (Utility) ষ্টেডিয়াম গঠন কাৰ্য্যকৰী কৰাৰ বাবে নীতি গ্ৰহণ কৰিছে। জিলা আৰু মহকুমা সদৰৰ যিবিলাক ক্ৰীড়া সন্থাৰ নিজৰ মাটি আছে সেই বিলাক ক্ৰীড়া সন্থাক চৰকাৰে ৰাজ্যিক ক্ৰীড়া পৰিষদৰ জৰিয়তে আৰ্থিক অনুদান দিয়ে।

তাৰোপৰি ৰাজ্যিক ক্ৰীড়া পৰিষদে Indoor আৰু Outdoor ষ্টেডিয়াম

গঠন কাৰ্য্যকৰী কৰাৰ বাবে ক্ৰীড়া সন্থাৰ পৰা আঁচনি আহ্বান কৰে আৰু এই ধৰণৰ ষ্টেডিয়াম গঠনৰ বাবেও চৰকাৰে আৰ্থিক অনুদান দিয়ে। এতিয়ালৈকে হাতত লোৱা Stadium ৰ আঁচনি আৰু এতিয়ালৈকে দিয়া অনুদানৰ পৰিমাণ সদনৰ মেজত ৰখা হৈছে।

(গ)—বৰ্ত্তমান নাই কৰা।

(ঘ)—(গ) উত্তৰৰ সন্দৰ্ভত এই প্ৰশ্ন নুঠে?

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰতি মহকুমা আৰু জিলাৰ সদৰত 'ষ্টেডিয়াম' স্থাপন কৰা সম্পৰ্কে নীতিগত ভাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই এইটো কথা জানিব বিচাৰো যে পঞ্চম পৰিকল্পনাৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাত কিবা আঁচনি কাৰ্য্যকৰী কৰা হৈছে নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : একেলেঠেৰীয়ে এই গোটেই বিলাক কাম হৈ আছে। প্ৰত্যেকটো মহকুমাতে হোৱাৰ কাৰণে ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে কাম চলি আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : (গ) প্ৰশ্নৰ উত্তৰত মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে নেহেৰু ষ্টেডিয়ামটো বৰ্ত্তমানে চৰকাৰে চৰকাৰীকৰণ কৰাৰ বিবেচনা কৰা নাই, এই পৰিপ্ৰেক্ষিততে মই এটা কথা কব খুজিছোঁ যে চৰকাৰে এই সদনত ইয়াৰ আগতে আশ্বাস দিছিল—এই ষ্টেডিয়ামটো লোৱাৰ কাৰণে, সেই সম্পৰ্কে চৰকাৰে কিবা কাৰ্য্যপন্থা গ্ৰহণ কৰিব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : অনুসন্ধান কৰি আছোঁ তাৰ পিছতহে কিবা এটা সিদ্ধান্ত গ্ৰহণ কৰা হব।

শ্ৰীজগদীশ চন্দ্ৰ দাস : যিখিনি ষ্টেডিয়াম লোৱা হৈছে তাত টকা-পইচা বিলাক ঠিকমতে খৰচ কৰা হৈছে নে নাই? সেইটো চাবৰ কাৰণে তদন্ত কমিটি এটা গঠন কৰি দিয়াৰ সংক্ৰান্তত চৰকাৰে কি ভাবে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : বিভিন্ন অনুষ্ঠানৰ অনুদান কি ধৰণে খৰচ

হয় সেইটো চাবৰ কাৰণে গতানুগতিক ব্যৱস্থা আছে আৰু সেই মতেই চোৱা হয়।

শ্ৰীআতাউৰ ৰহমান ঃ কোন মহকুমাত কিমান টকা দিয়া হৈছে? সেই বিষয়ে জনাব পাৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ লিষ্টখন বৰ দীঘলীয়া, সদনৰ টেবুলত ৰখা হৈছে।

শ্ৰীঅতুল শইকীয়া ঃ বাজ্যিক ক্ৰীড়া পৰিষদৰ সভাপতি সম্পাদক কোন?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ ক্ৰীড়া পৰিষদৰ সভাপতি হৈছে শিক্ষা মন্ত্ৰী নিজে, উপ সভাপতি মুখ্য সচিব, আৰু সাধাৰণ সম্পাদক নুৰুল আমিন আৰু ট্ৰেজাৰাৰ হৈছে এম, এন ভট্টাচাৰ্য্য তাৰ বাহিৰেও মেম্বাৰ আৰু কো-অপটেড মেম্বাৰ আছে।

শ্ৰীঅতুল শইকীয়া ঃ এই সভাখন নিয়মীয়াকৈ বহে নে নবহে, শেহতীয়াকৈ কেতিয়া হৈছিল সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ নবহাৰ খবৰ পোৱা নাই শেহতীয়াকৈ কেতিয়া বহিছিল সেইটো চাব লাগিব।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পৰিষদৰ মিটিং নিয়ম মতেই বহেনে আৰু যদি বহে তেতিয়াহলে, শেহতীয়া মিটিংখন কেতিয়া বহিছিল?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ মিটিং নবহাৰ কোনো খবৰ মোৰ হাতত নাই। শেহতীয়া মিটিং কেতিয়া বহিছিল সেইটো চাব লাগিব।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক ক্ৰিড়াৰ যোগেদি আমাৰ গাৱঁলীয়া খেলপথাৰ বিলাকেও অংশ গ্ৰহণ কৰি আহিছে। গাৱঁলীয়া এই খেলপথাৰ বিলাকৰ উন্নয়নৰ কাৰণে টকা পইচা আদি বিচাৰি ৰাজ্যিক ক্ৰিড়াপ বিষদৰ ওচৰত আবেদন কৰিব লাগেনে চৰকাৰক আবেদন কৰিব লাগে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ চৰকাৰৰ ফালৰ পৰা খেল-পথাৰ আদিৰ

ক্ষেত্ৰত যিবিলাক অনুদান দিয়া হয় সেইবিলাক ক্ৰিড়া সন্থা বিলাকৰ জৰিয়তেই দিয়া হয় গতিকে ক্ৰিড়া সন্থাক আবেদন কৰিলেই ভাল হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : লৰা-ছোৱালী বিলাকে আৰম্ভণীৰে পৰাই খেলা-ধূলা আদি কৰিব পাৰিলে ভৱিষ্যতে তাৰ মানদণ্ডৰ উন্নতি হয়। সেই দৃষ্টি-কোণৰ পৰা বিচাৰ কৰি স্কুল বিলাকত খেলা-ধূলাৰ ব্যৱস্থাৰ উন্নতিৰ কল্পে ক্ৰিড়া পৰিষদৰ ফালৰ পৰা আৰ্থিক অনুদান আদি দিয়াৰ কিবা নিয়ম আদি আছেনেকি? যদি নাই তাক দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : স্কুল বিলাকক দিবব কাৰণে ক্ৰিড়া পৰি-ষদৰ হাতত টকা নাই। চৰকাৰে ক্ৰিয়াপৰিষদৰ জৰিয়তেহে টকা দিয়ে। গতিকে চৰকাৰে টকা দিব লাগিলে ক্ৰিড়া পৰিষদৰ জৰিয়তেহে দিব লাগিব।

Re : Beggar Problem

Shri GIASUDDIN AHMED asked :

★115. Will the Minister, Social Welfare be pleased ro state—

(a) Whether attention of the Government has been drawn to the serious beggar problem in the State?

(b) If so, whetber Government will take any measure to tackle the problem and to rehabilitate the beggars?

Shri UTTAM CHANDRA BRAHMA (Minister, Social Welfare) replied :

115. (a)—Government is aware of the problem

(b)—To tackle the problem, the Assam Prevention of Begging Act, 1964 has been enacted and a Vagrants' Home at Fatasil. Gauhati has been eatablished for detention treatment, training and rehabilitation of beggars and their dependents.

Shri Giasuddin Ahmed : Sir, what steps have been taken for implementation of the Beggary Prohibition Act.

Shri Uttam Chandra Brahma (Minister) : Sir the Act has been enacted and the rules have been framed and according to the rules a Vagrant Home has been established for detention, treatment, training and rehabilitation of beggars and their dependents.

Shri Giasuddin Ahmed : Sir, my question has not been replied properly. My question was what steps have been taken for implementation of the Beggary Prohibition Act. The Minister replied that rules have been framed and according to the rules a Vagrant Home has been established for their training etc. I want to know what concrete steps have been taken for prevention of begging. Begging is still rampant all over the State. What concrete steps have been taken for rehabilitation of the beggars all over the State, not only at Gauhati ?

Shri Uttam Chandra Brahma (Minister) : The Act has been enacted in 1964 and since then, according to the provisions of the Act, the police has been authorised to round up the beggars and as soon as the police round up the beggars" they are sent to the Vagrant Home and then certain training and other works are given to them.

Shri Giasuddin Ahmed : Will the Minister kindly give me the beggar population in the State as also how many beggars have been rounded up and how many have been sent to the vagrant home for training etc ?

Shri Uttam Chandra Brahma (Minister) : Sir, the problem is gigantic and so it is not possible to ascertain the exact number of the beggars in the State. In the Vagrant Home at present there are 89 beggars.

Shri Mal Chandra Pegu : Whether these 89 beggars who are

now in the Vagrant Home have been brought there by the police or they have come there voluntarily ?

Shri Uttam Chandra Brahma (Minister) : They have been brought by the police.

Shri Manabendra Sarma : Sir, may I know from the Minister how many Vagrant Homes are there in the State ? The Minister in reply to one supplimentaries has replied that beggars have been trained and rehabilitated may I know how many beggars uptil now have been rehabilitated by giving special training ?

Shri Uttam Chandra Brahma (Minister) : Sir, we have got only one Vagrant Home here at Fatasil and the number of beggars rehabilitated is not with me now

Abdul Muqtadir Choudhury : Sir, whether the beggar problem is increasing or decreasing after the passing of the Act ?

Shri Uttam Chandra Brahma (Minister) : Sir, it is very difficult to say whether it has increased or decreased because census has not yet been done.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ যিবিলাক ভিক্ষাৰীৰ কথা কোৱা হৈছে সেই বিলাক থলুৱা মানুহ হয়নে বাহিৰৰ পৰা অহা মানুহ তাৰ কিবা পৰিসংখ্যা মন্ত্ৰী মহোদয়ে দিব নে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ তেওঁ বিলাকৰ সম্পূৰ্ণ ঠিকনা মোৰ হাতত নাই।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ মই পৰিসংখ্যাৰ কথাটোহে কৈছো ? কৰ পৰা এই মানুহ বিলাক আহে—বিহাৰ, উৰিষ্যা নে আন্ কৰবাৰ পৰা ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ বিভিন্ন ঠাইৰ পৰাই আহে।

শ্ৰীবীৰেণ ৰাম ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, ফটাশিলত যিটো

'ভেগ্ৰেণ্ট হোম' আছে তাত কিমানজন ভিক্ষাৰী আছে আৰু নগৰ-চহৰে ঘূৰি ফুৰা ভিক্ষাৰী বিলাকক ধৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ ৮৯ জন ভিক্ষাৰী তাত আছে নগৰে-চহৰে ঘূৰি ফুৰা ভিক্ষাৰী সকলক ধৰিবৰ কাৰণে আইনত পুলিশক নিৰ্দ্দেশ দিয়া আছে আৰু সেই মতে পুলিচে তেওঁবিলাকক 'ৰাউণ্ড আপ' কৰে।

Shri Premadhar Bora : Whether the Government is aware that a large number of unidentified beggars have been loitering here and there all over the State and whether proper action has been taken to restrict their begging activities ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ (এ)-ৰ প্ৰশ্নোত্তৰত মই কৈছোৱেই।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ 'ভেগ্ৰেণ্ট হোম'ত ৰখা ভিক্ষাৰী বিলাকক ট্ৰেইনিং দিয়াৰ কাৰণে কি কি ব্যৱস্থা আছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ সৰু সৰু লৰাছোৱালী বিলাকক বাহ বেতৰ কাম আদি 'ভোকেচনেল-ট্ৰেইনিং' দিয়াৰ ব্যৱস্থা আছে। তাৰোপৰি মুৰ্গী পোহা আৰু বাগান আদি কৰা ট্ৰেইনিংও দিয়াৰ ব্যৱস্থা আছে।

Shri Giasuddin Ahmed : Sir, whether the Government is aware that begg;ng by teen aged girl has been substitued by prostitution ?

Shri Uttam Chandra Brahma (Minister) : The Governmmnt is not aware of that.

Shri Giasuddin Ahmed : Will the Government make an enquiry into it ? The problem has been rampant in some parts of the State.

Shri Uttam Chandra Brahma (Minister) : If the Hon'ble Member can give a specific case then it may be looked into.

Shri Giasuddin Ahmed : I am giving one specific case. At Dhubri, large number of teen aged girl beggars have taken to

prostitution. Will the Government make an enquiry and take concrete steps in the matter ?

Shri Uttam Chandra Brahma (Minister) : It will be enquired into.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ অন্য প্ৰদেশৰ ভিক্ষাৰী যাতে আমাৰ ৰাজ্যত সোমাব নোৱাৰে তাৰ কাৰণে চিৰামপুৰত এটা চেক্‌গেটৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ ভাৰতৰ যি কোনো নাগৰিকেই ভাৰতৰ যি কোনো ঠাইলৈ যাব পাৰে। সেই গতিকে অন্য ঠাইৰ পৰাও এই ভিক্ষাৰী বিলাক অসমলৈ আহিব পাৰে।

শ্ৰীবীৰেণ ৰাম ফুকন ঃ চাৰি আলি আদিত বাছ বিলাক ৰখাওতে সৰু সৰু লৰা-ছোৱালী বিলাকে যাত্ৰীৰ ওচৰে ওচৰে গৈ ভিক্ষা মাগি থকা বিলাকক কি ব্যৱস্থা কৰিব ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ পুলিচে তেওঁবিলাকক 'ৰাউণ্ড-আপ' কৰে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা ঃ এই ভিক্ষাৰী বিলাকৰ কাৰণে কি ট্ৰেইনিংৰ ব্যৱস্থা আছে আৰু ট্ৰেইনিং কিমান দিন দিয়া হয় ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ কি কি ট্ৰেইনিং দিয়া হয় সেইটো মই আগতে কৈছোৱেই। ট্ৰেইনিং দিয়াৰ পিছত কিবা সুবিধা হলে তেওঁবিলাকক পঠিয়াই দিয়া হয়।

শ্ৰীমানবেন্দ্ৰ শৰ্মা ঃ এই ভিক্ষাৰী বিলাক কিমান দিনৰ পৰাই তাত আছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ সেইটো হিচাব মোৰ হাতত নাই।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰী ঃ অসমত যিহেতু ভিক্ষাৰী সমস্যাটো এটা 'জাইগান্টিক প্ৰব্লেম' বুলি মন্ত্ৰী মহোদয়ে নিজেই স্বীকাৰ কৰিছে সেই পৰিপ্ৰেক্ষিততে মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, প্ৰত্যেক জিলাৰ সদৰতে একোটা ভেগ্ৰেণ্ট হোম কৰাৰ কথাটো চিন্তা কৰি চাবনে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ সেইটো চিন্তা কৰি চোৱা হব।

শ্ৰীমানবেন্দ্ৰ শৰ্মা : 'এডভাইজৰি কমিটি'য়ে শিক্ষক দিব লাগে বুলি কৈ আহিছে কিন্তু এতিয়াও এই লোকবিলাকক ট্ৰেইনিং দিবৰ কাৰণে কোনো শিক্ষক নিয়োগ কৰা নাই। গতিকে শিক্ষক নিয়োগ কৰাৰ কথাটো চৰকাৰে বিবেচনা কৰি চাবনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ এই খবৰটো মোৰ হাতত নাই।

Shri Giasuddin Ahmed : Sir, from the replies furnished by the Hon'ble Minister it appears that the Govt. move in the matter is in a very half hearted manner. May I know whether the Govt. will take some concrete measures to root out this habit after proper survey?

Shri Uttam Ch. Brahma (Minister) : Sir, the Govt. is taking up the matter with seriousness. As regards survey the Govt. will consider the matter.

বি ঃ নিৰ্ম্মাণ নিগম

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসম চৰকাৰী নিৰ্মাণ নিগমৰ বৰ্ত্তমান মুখ্য কাৰ্য্যকৰ্ত্তা সকল কোন কোন?

শ্ৰীমহম্মদ ইদ্ৰিছ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(খ) এই নিগমে এতিয়া কি কি কাম কৰি আছে?

(গ) এই নিগমৰ বিত্তীয় অৱস্থা বৰ্ত্তমান কেনেকুৱা?

শ্ৰীমহম্মদ ইদ্ৰিচ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৬। (ক)—বৰ্ত্তমান অসম চৰকাৰ নিৰ্মাণ নিগমৰ নিৰ্দ্দেশক সমিতিৰ

সদস্য সকল—

(১) ডঃ লুটফুৰ ৰহমান (২) শ্ৰীএইচ বৰুৱা (৩) শ্ৰীএন, এন, মুখ্যোপাধ্যায় (৪) শ্ৰীজে, চি, দাস (৫) শ্ৰীএম, দাস (৬) শ্ৰীকে, পি, বৰুৱা (৭) শ্ৰীকে, বৰুৱা, (৮) শ্ৰীকে, ডি, লহকৰ।

(খ)—নিম্নলিখিত কামখিনি বৰ্ত্তমান এই নিগমে কৰি আছে—

(১) কাছাৰ চেনীকল ঘৰ নিৰ্মাণৰ কাম সমূহ।

(২) অসম আৰক্ষী বাহিনীৰ ঘৰ নিৰ্মাণৰ কাম প্ৰধানকৈ, গুৱাহাটী, যোৰহাট, তিনিচুকীয়া, মাকুম, ডিব্ৰুগড়, নগাওঁ, চাপৰ আদি ঠাইত।

(৩) পশু চিকিৎসা বিভাগৰ ঘৰ নিৰ্মাণৰ কাম, খানাপাৰা আৰু শিলচৰ।

(৪) চাহ নিলাম কেন্দ্ৰৰ ঘৰ নিৰ্মাণৰ কাম দিশ্ৰপুৰত।

(গ) আশানুৰূপ নহয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : আগতে এই নিগমে যিবিলাক কাম কৰিলে তাৰ বহু আধৰুৱা হৈ বাকী থাকিল। এই কামবিলাক সম্পূৰ্ণ কৰিবলৈ কিমান দিন লাগিব ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : কাম চলিয়েই আছে। আধৰুৱাকৈয়ো কাম চলিয়েই আছে। কাম বাকী থকা নাই। অৱশ্যে দুই এটা কাম এৰি দিবলগীয়া হৈছে বাকীবিলাক সম্পূৰ্ণ কৰা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : যি কেইটা কাম এৰি দিবলগীয়া হৈছে সেই কেইটা কি কি কাম মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) : ১৯৬৪ চনৰ পৰাই এই নিগমৰ কাম চলি আহিছে। তেওঁলোকে প্ৰায় ৯ কোটি টকাৰ কাম কৰিছে। এতিয়াও ৪ কোটি মান টকাৰ কাম হাতত আছে। ইয়াৰ ভিতৰত দুই এটা কাম এৰি দিবলগীয়া হৈছে। মাননীয় সদস্যক জনাব বিচাৰিছো যে কনিহা নদীৰ দলংখন আৰু বৰ নদীৰ দলংখন এৰি দিবলগীয়া হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ গুৱাহাটী মেডিকেল কলেজৰ নতুন গৃহ নিৰ্মাণৰ কাম এতিয়াও চলাই আছেনে এবি দিলে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ গুৱাহাটী মেডিকেল কলেজৰ গৃহ নিৰ্মাণৰ কাম আন এটা সন্থাই চলাই আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ এবি দিলেনে কি কৰিলে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ গুৱাহাটী মেডিকেল কলেজৰ গৃহ নিৰ্মাণৰ ইতিহাসৰ কথা বহুত দিনৰ পৰাই চলি আছে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নোত্তৰৰ তালিকাত যি বিলাক সদস্যৰ নাম দিছে তাৰ ভিতৰত অবসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী কোন কোন আছে আৰু নিগমে যিবিলাক কাম লয় সেইবিলাক নিগমে নকৰি কমিচন লৈ অন্য ঠিকাদাৰক দিয়ে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ শ্ৰীএম দাস, প্ৰাক্তন সঞ্চালক, অসম চৰকাৰ নিৰ্মাণ নিগম, অসম উদ্যোগিক নিগম আৰু অসম বিলাতি মাটি। শ্ৰীকে, পি, বৰুৱা, প্ৰাক্তন সঞ্চালক, অসম বিত্তীয় নিগম। আৰু শ্ৰীকে, বৰুৱা, প্ৰাক্তন মুখ্য অভিযন্তা আৰু সচিব, গড়কাপ্তানী বিভাগ, (গৃহ আৰু পথ)। চাবলেট দিয়া হৈছে আৰু বৰ্ত্তমানো ২।১ এটা দিয়া হৈছে। এইটো তেওঁ-লোকৰ বোলত আছে কাৰণে দিব পাৰে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া ঃ মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নোত্তৰত কৈছে যে নিগমৰ বিত্তিয় অৱস্থা সন্তোষজনক নহয়। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইয়াত কিমান লোকচান হৈছে আৰু এই নিগমৰ শেহতীয়া পৰিক্ষীত হিচাব কেতীয়া হৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ ইয়াৰ সেহতীয়া হিচাব ১৯৭৩-৭৪ চনত ওলাইছিল। ইয়াত মুঠ লোকচান হৈছে ৩১ লাখ ৮৫ হাজাৰ টকা।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মন্ত্ৰী মহোদয়ে কৈছে যে চাব-কনট্ৰেকট দিয়াৰ প্ৰভিজিয়ন আছে। এইটো কোন আৰ্টিকুল মতে পাৰমিচিবল জনাবনে ?

Sri Md. Idris (Minister, P.W.D.) : Memorandum of Association

of Assam Govt. Construction Corporation Ltd, Article 3 :—To enter into any contract of enhancement for the more efficient conduct of the business of the company or any part thereof and to sublet contract from time to time.

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এই প্ৰভিজিয়ন আগৰে পৰাই আছেনে নাই তেওঁলোকে তেওঁলোকৰ সুবিধাৰ কাৰণে নতুনকৈ কৰি লৈছে ?

শ্ৰীমহম্মদ ইদ্ৰিচ ঃ এই খন অৰিজিনেল।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ চাবলেট কিহৰ ওপৰত ভিত্তি কৰি দিয়া হয় ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ কনট্ৰেক্ট হিচাবে দিয়া হয় ?

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এই নিগমে চাব কনট্ৰেক্ট দিলে কাম পলম হয়। তেওঁলোকে কামবিলাক আনক দিব আৰু আনেও আকৌ আনক দিব এই দৰে এজনে আন জনক দিয়াৰ কাৰণে কৰাৰ কাৰণে কাম বিলাকত পলম হয় এনেকুৱা যাতে নহয় তাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ ২।১ এটা কাম চাবলেট দিয়াৰ কাৰণে পলম হৈছে সেই কথা সচা। কিন্তু যিবিলাক দূৰৰ কাম সেই বিলাকলৈ গোটেই ষ্টাফ গৈ কাম কৰাটো সম্ভৱপৰ নহয় আৰু গলেও খৰচ বেচি হয় সেই কাৰণেই চাব কনট্ৰেক্ট দিবলগীয়া হয়।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা দেখা গল যে নিৰ্মাণ নিগমৰ কাম সন্তোষজনক নহয় আৰু ইয়াত ৯ কোটি টকাৰ ইনভলব্‌মেণ্ট আছে। এই পৰিপ্ৰেক্ষিতত এই নিগমৰ গোটেই কথাবিলাক চাবৰ কাৰণে গোটেই কমিটিখন ৰেভিও কৰি পুনৰ গঠন কৰাৰ কথা ভাবিছেনেকি যাতে খৰতকিয়াভাবে কাম কাজ বিলাক চলে ?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ কাম সন্তোষজনক হোৱা নাই বুলি কোৱা নাই। বিশিষ্ট মানযুক্ত কাম কৰিছে। ব্যৱসায়িক ভিত্তিত পৰিস্থিতিটো ভাল কৰিবৰ কাৰণে বিবেচনা কৰিছো। আপোনালোকে শুনি সুখী হব যে ১৯৭৪-৭৫ চনত লাভ হব। ইতিমধ্যে বৰ্ডখন পুনৰ গঠন কৰি যিজন মেনেজিং ডিৰেক্টৰক দিছো তেওঁ বিশেষভাবে তৎপৰ লোৱা বাবে কৰ্ম্ম পদ্ধতিৰ যথেষ্ট উন্নতি হৈছে।

শ্ৰীজানকি নাথ সন্দিকৈ ঃ এই নিগমে কেন্দ্ৰীয় ভিত্তিত প্ৰতিষ্ঠিত বঙাইগাওঁ ৰাসায়নিক উদ্যোগ চক্ৰত ঘৰ-দুৱাৰ প্ৰাৰম্ভিক কাম কৰিবৰ কাৰণে ঠিকা ঠুকলি বিচাৰিছিল নেকি? চাব-কণ্ট্ৰেক্ট দি নিবনুৱা লবাবিলাকক কামৰ সুবিধা কৰি দিছিলনেকি?

শ্ৰীমহম্মদ ইদ্ৰিছ (মন্ত্ৰী) ঃ বঙাইগাওঁ ৰাসায়নিক চক্ৰত কাম বিচৰা হৈছিল। কেন্দ্ৰীয় সংগঠন হিচাবে আমাক কাম দিয়া নাই। যদি দিয়ে সদস্যৰ পৰামৰ্শ গ্ৰহণ কৰিম।

শ্ৰীজানকি নাথ সন্দিকৈ ঃ এই নিগমে টেণ্ডাৰ দিছিলনেকি?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ তিনিখন টেণ্ডাৰ দিছিল।

শ্ৰীআটাউৰ ৰহমান ঃ বৰ্ত্তমান সময়ত মধ্যবৰ্ত্তী লোক অপসাৰণ কৰাটো। এই ক্ষেত্ৰত চাব কণ্ট্ৰেক্ট বন্ধ কৰাৰ দিহা কৰিবনে?

শ্ৰীমহম্মদ ইদ্ৰিচ (মন্ত্ৰী) ঃ চাব কণ্ট্ৰেক্ট পৰাপক্ষত দিয়াৰ পক্ষপাতি নহয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ যিটো লাভ হোৱা কথা কৈছে সেইটো লোকচান হোৱা ৩৫ লাখ টকা পূৰণ কৰিবনে? এই লোকচান কিয় হল?

শ্ৰীমহম্মদ ইদ্ৰিচ ( মন্ত্ৰী ) ঃ মই নিৰীক্ষণ কৰি চাইছো যে লোকচা হোৱাৰ কাৰণ হল আৰম্ভণিতে কামবিলাক ল-ৰেটত লৈছিল প্ৰতিযোগিতা কৰিবৰ কাৰণে, এই সংগঠনত অনভিজ্ঞ লোক আছিল, অভাৱৰেট খৰচ বেচি, মেটেৰিয়েল—যেনে চিমেণ্ট আদিৰ নাটনিৰ বাবে কামত পলম, কিছুমান চাব-কণ্ট্ৰেক্ট দিয়াটো যুক্তি সঙ্গত নাছিল। এই লাভটো বছৰেকীয়া লাভ-লোকচান হোৱা ৩১ লাখ টকা ওৱাইপ আউট কৰিবলৈ হলে বহুত লাভ হব লাগিব।

Shri Subhankar Singh : Sir, the constuction of Building for Cachar Sugar Mill is being done by the A.G.C.C. Most of the M.L.As of Cachar have expressed their anxiety probably the greatest of its kind over the construction of building there, the factory in particular that it may not be suitable to the manufacturer. Will the Minisrer be kind to see that the construction work is properly supervise from his end?

Shri Md. Idris (Minister) : So far as my information goes, the construction of factory at Chorgola is to the entire satisfaction of the supplier of machinery and the progress is up to the schedule.

Re : Full-fledged Government Libraries.

Shri GIASUDDIN AHMED asked :

★117. Will the Minister-in-charge, Education be pleased to state—

Whether Government has considered the matter of extending library facilities to the rural areas by setting up full-fledged Government Libraries there ?

Shri SARAT CHANDRA SINHA (Chief Minister) replied :

117.—The matter is under consideration of Government.

বি ঃ প্ৰসূতি আৰু শিশু স্বাস্থ্য আচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত প্ৰসূতি আৰু শিশু স্বাস্থ্য ৰক্ষাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে ?

(খ) চতুৰ্থ যোজনাত প্ৰসূতি আৰু শিশু স্বাস্থ্যৰ বাবে কিবা বিশেষ আঁচনি লৈছে নেকি ?

(গ) যোৱা প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাত কি কি আঁচনি কাৰ্য্যকৰী কৰা হৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৮। (ক) আৰু (খ)—অসমত প্ৰসূতি আৰু শিশু স্বাস্থ্য ৰক্ষাৰ বাবে তলত দিয়া ব্যৱস্থাসমূহ লোৱা হৈছে—

(১) বছৰি প্ৰাক-বিদ্যালয়ৰ শিশুক ডিফথেৰিয়া হুপিং কফ আৰু ধনুষ্টংকাৰৰ, বিদ্যালয়ৰ শিশুক ডিফথেৰিয়া আৰু ধনুষ্টংকাৰৰ, গৰ্ভৱতী আৰু প্ৰসূতি তিৰোতাক ধনুষ্টংকাৰৰ প্ৰতিশেধক বেজী যথাসম্ভৱ দিয়া হৈ আছে।

(২) বছৰি শিশু আৰু গৰ্ভৱতী আৰু প্ৰসূতি তিৰোতাৰ বাবে আইৰণ আৰু ফলিক এচিদ বড়ী ৰক্তহীনতা ৰোগৰ প্ৰতিষেধৰ বাবে বিলোৱা হয়।

(৩) অসম চৰকাৰৰ অনুষ্ঠিত ৬৩ টা মাতৃ আৰু শিশু মঙ্গল কেন্দ্ৰ আছে। ৰাজ্যিক ঔষধালয়ৰ সংলগ্নত প্ৰসূতিৰ বাবে ৬টা ওৱাৰ্দ আছে। জিলা চৰকাৰী চিকিৎসালয়ৰ সংলগ্নত ৩টা প্ৰসূতি গৃহ আছে। ইয়াৰ ওপৰিও বাকী আটাইকেইখন শৈল চিকিৎসালয়ত প্ৰসূতিৰ বাবে ওৱাৰ্দ আছে।

(৪) অসমৰ প্ৰতি প্ৰাথমিক চিকিৎসা কেন্দ্ৰত আৰু উপকেন্দ্ৰত থকা এ, এন এম সকলৰ প্ৰধান কৰ্ত্তব্য শিশু আৰু মাতৃ সকলৰ সেৱা কাৰ্য্য। উপকেন্দ্ৰ বিলাক বিশেষকৈ শিশু আৰু মাতৃ মঙ্গল আৰু পৰিয়াল পৰিকল্পনাৰ কাৰ্য্যৰ বাবেই স্থাপন কৰা হৈছে।

(গ)—যোৱা প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক যোজনাত ওপৰত দিয়া আটাইবোৰ আঁচনিয়েই কাৰ্য্যকৰী কৰা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ মন্ত্ৰী মহোদয়ে জনাইছে যে শিশু আৰু মাতৃ মঙ্গলৰ কাৰণে যথেষ্ট কাম কৰা হৈছে। মহকুমা বিলাকত এইসকল শিশুক বেমাৰৰ পৰা উদ্ধাৰ কৰিবৰ কাৰণে বেজী দিয়াৰ ব্যৱস্থা আছেনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ প্ৰতি ঘনবসতিপূৰ্ণ নগৰ আৰু উপ নগৰ বিলাক বাচি লৈ সেইবোৰত ব্যৱস্থা লৈছো।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ মহকুমাত যিসকল শিশু আছে সেই সকলক ৰক্ষা কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ আমাৰ ৰাজ্যত প্ৰতি বছৰে ৭৫ লাখ শিশুৰ জন্ম হয়। স্বাস্থ্য বিভাগৰ শিতানৰ যি টকা আছে তাৰে পূৰণ কৰিব নোৱাৰো। সেই কাৰণে ৫০-৬০ হাজাৰ শিশুৰ ভিতৰত ব্যৱস্থা দিয়া হয়।

শ্ৰীজগদীশ দাস ঃ বেচৰকাৰী প্ৰস্থৃতি অনুষ্ঠান কত কত আছে ? সেইবিলাক অনুষ্ঠানক চৰকাৰে অনুদান দিয়েনেকি ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ ষ্টেট ডিচপেনসেৰীত ওৱাৰ্ড আছে। বিলাসীপাৰা, চাপটগ্ৰাম, টিহু, কোকৰাঝাৰ, ডিব্ৰুগড় মেডিকেল কলেজ আদি কৰি এনেকুৱা ৬৩ টা চেন্টাৰ আছে।

শ্ৰীঅতুল শইকীয়া ঃ পলিঅ’ ভেক্সিনৰ ব্যৱস্থা প্ৰতিখন চহৰত আছেনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ যিমান পাৰো দিয়া হৈছে।

শ্ৰীঅতুল শইকীয়া ঃ সংখ্যাটো কি ? গুৱাহাটীত আছে। ডিব্ৰুগড়, যোৰহাট আদি চহৰত আছে নে নাই ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ গুৱাহাটীত বিশেষকৈ দি থকা হৈছে। ১৯৭৫-৭৬ চনৰ ডিচেম্বৰ মাহলৈ গুৱাহাটী আৰু আশে পাশে থকা অঞ্চলৰ ৮১ হাজাৰ জন লৰা-ছোৱালীক পলিঅ ভেক্সিন দিয়া হৈছে।

আব্দুল হানান চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে জনবসতি ঘন টাউন বা নগৰত সেই আঁচনি লোৱা হৈছে, তেনেহলে গাওঁ অঞ্চলত সেই ব্যৱস্থা লোৱা নাই ? মন্ত্ৰী মহোদয়ে ভাবে নেকি যে টাউন বা নগৰৰ লৰাবিলাকৰ স্বাস্থ্য হৈ ডাঙৰ দীঘল হওক আৰু গাওঁৰবোৰ মৰি যাওঁক ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ অধ্যাক্ষ মহোদয়, মই আগতেই কৈছো যে টকাৰ বিশেষ দৰ্কাৰ, বিশেষকৈ এইবিলাক বেমাৰ ঘন বসতি অঞ্চলতে বেছি হয় আৰু সেই বাবেই এই ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বছৰি পাঁচলাখমান শিশু আমদানী হয়, তেন্তে পৰিয়াল পৰিকল্পনাৰ কৃতিত্ব কোনখিনিত ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই কাম জোৰেৰে চলাই অহা হৈছে, আশাকৰো মাননীয় সদস্য গৰাকীয়েও ইয়াত সহযোগ কৰিব।

মিঃ স্পীকাৰ ঃ আপুনি আমদানী শব্দটো উঠাই লওক।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মই বাৰু উঠাই ললো।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, টকাৰ কাৰণেই অসমৰ সকলো ঠাইতে এই আঁচনি লব পৰা নাই বুলি মন্ত্ৰী মহোদয়ে কলে। পৰ্য্যায়ক্ৰমে হলেও গুৱাহাটীৰ বাহিৰে আন ঠাইত জন্মলোৱা দূৰ্ভগীয়া লৰা-ছোৱালীৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিবনে ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইবিলাক চৰকাৰী অনুষ্ঠানৰ বাহিৰেও কিছুমান অনাচৰকাৰী অনুষ্ঠানো আছে। মাননীয় সদস্য ডাঙৰীয়াক কওঁ যে অৰ্গেনাইজ কৰিলে মাননীয় সদস্য গৰাকীয়ে ভবামতে ডাক্তৰ আৰু ভেকচিনেচন দিয়াৰ চেষ্টা কৰিম।

বি ঃ চাৰুকলাৰ প্ৰেক্ষাগৃহ

শ্ৰীলক্ষ্মীকান্ত শইকীয়া সুধিছে ঃ

*১১৯। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চাৰু কলাৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে নেকি ?

(খ) যদি হৈছে, এই আঁচনিত কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (সাংস্কৃতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৯। (ক)—হয়। প্ৰেক্ষাগৃহ স্থাপনৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

(খ)—বৰ্ত্তমানলৈ দহ হাজাৰ টকা।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰেক্ষাগৃহ স্থাপনৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে, মই সুধিব খুজিছো যে কত আৰম্ভ কৰা হৈছে আৰু বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই আঁচনিৰ কাম এতিয়া ৰবীন্দ্ৰ ভৱনত আৰম্ভ কৰা হৈছে আৰু এই সম্পৰ্কত যিটো প্ৰেক্ষাগৃহ নিৰ্মাণ আঁচনি আছে, তেওঁলোকে মাটি বিচাৰিছে। ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ওপৰ মহলত অহা মাহৰ ২৫ তাৰিখৰ পৰা সুকিয়াভাৱে ইয়াৰ কাৰ্য্য আৰম্ভ

কৰা হব। তদুপৰি প্ৰেক্ষাগৃহৰ কাম চলাবৰ কাৰণে বিষয়া নিয়োগ কৰা হৈছে আৰু ছবিও কিনা হৈছে।

বি ঃ ৰাজ্যিক নাগৰিক পৰিষদ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে ঃ

*১২০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এখন ৰাজ্যিক নাগৰিক পৰিষদ আছে নেকি?

(খ) যদি আছে, তাৰ সভাপতি, সম্পাদক আৰু সদস্য সকল কোন কোন?

(গ) এই পৰিষদৰ দায়িত্ব কি কি?

(ঘ) ইয়াৰ খৰচ কোনে বহন কৰে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২০। (ক)—নাই।

(খ), (গ) আৰু (ঘ)—প্ৰশ্ন নুঠে।

Mr Speaker—'Now come back to sd. question No. 113 which was left earlier.

Re - Assam Rural Indebtedness Relief Act, 1975

Shri GIASUDDIN AHMED asked :

★113. Will the Minister, Co-operation be pleased to state—

The steps takan by Government for implementation of the Assam Rural Indebtedness Relief Act, 1975 ?

Shri GAJEN TANTI (Minister, Co-operation) replied :

113. The Rules for carrying out the purposes and object of the Act have been framed and published. The Rules have prescribed the authorities also for implementing some of the

provisions of the Act. Relief like moratorium outright discharge of certain cetegories of debts are available from the date of commencement of the Act. Violation of some of the provisions of the Act are punishable under the Law. District Authorities have been alerted to be vigilant so that debtors are not deprived of the benefits available under the Law.

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, এটা প্ৰশ্নৰ জড়িয়তে মই এটা পৰামৰ্শ আগবঢ়াব পাৰোনে ? মোৰ পৰামৰ্শটো হৈছে—এই আইনখন আৰু ইয়াৰ নিয়মাৱলী অসমীয়াতে অনুবাদ কৰি ব্যাপকভাৱে গাৱেঁ-ভূৱেঁ প্ৰচাৰ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ নিশ্চয় কৰা হব।

Shri Promode Gogoi : Mr. Speaker Sir, whether the Govt. is aware of the fact that in most of the district, this act has not been implemented by the district offices ?

Shri Gajen Tanti (Minister) : That information is not with me, Sir.

Shri Promode Gogoi : If so, when the order was issued by the Govt. to the district officials to implement the act. ?

Shri Gajen Tanti (Minister) : Sir, this act came into forca with effect from 8th November. 1975.

Shri Promode Gogoi : According to the provision of this Act. whether Govt. has issued any instruction to the district officials to implement the Act. ?

Shri Gajen Tanti (Minister) : Sir, it is published in the Assam Gazette and automatically it will be implemented.

শ্ৰীশুভংকৰ সিং ঃ অধ্যক্ষ মহোদয়, এই আইনখন আৰু ইয়াৰ নিয়মাৱলী

বাংলা ভাষা আৰু আন আন ভাষাত অনুবাদ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) ঃ এই সম্পৰ্কে চাৰ কোৱা হৈছে।

Shri Atul Saikia : May I know from the Hon'ble Minister from the notification of 8th November'75, when the rules have been framed ?

Shri Gajen Tanti (Minister) : That copy of the rules have already been placed on the table of the Hon'ble Members.

Shri Atul Saikia : On which date these rules have been framed ?

Shri Gajen Tanti (Minister) : Sir, it is on 1st January'76.

Mr. Speaker : The question hour is over. Now item No. 2, the Motion which is to be moved by Shri Mal Ch. Pegu.

MOTION

*Shri Mal Ch. Pegu : Sir, I beg to move the Motion and the motion is that "The House do now take into consideration the creation of separate Directorates for the Scheduled castes, Schduled Tribes and other Backward Classes of the State.

Sir, the purpose of this item as I am moving the motion is to accelerate the developmental activities of the Govt. for welfare of the Scheduled Castes, Scheduled Tribes and other Backward classes people of the State. Sir, unless separate Directorate is created for Scheduled Castes, Scheduled Tribes and other Backward Clases then the very purpose for the developmental activities of these clasees will not be fruitful. If the Govt. actually desire that there should be rapid development of the backward classes in our State, then definitely there should be a separate

*Speech not corrected

Directorate like other States in India for rapid development in all matters like, educationally, economically and socially, the Govt. must create separate directorate for each of these classes. Sir, what developmental activities have been now being done for the welfare of the Scheduled Castes and Scheduled Tribes through the respective Deputy Commissioner and Sub-divisional Officers, it can be said that no useful purpose has been served.

I have seen that they do not actually take keen interest in the Welfare of these people. As a result whatever action is taken by Govt. do not yield results. If the Govt. actually want that this people should develop in all respect, than a separate Directorate should be created at a very early date. And I am glad to learn that the Govt. is trying to create a separate Directorate for the welfare of the people. But Sir, if the creation of a seperate Directorate is delayed then the development of the scheduled caste and scheduled tribe people will further lag behind. So Sir, I request our Govt. to create a seperate directorate for each of the communities Scheduled caste and Scheduled Tribes at an early date. With these words I move the motion Sir.

*শ্ৰীজগদীশ চন্দ্ৰ দাস ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমাল চন্দ্ৰ পেগু ডাঙৰীয়াই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰিছো। প্ৰস্তাৱটো যদিও আজিহে উত্থাপন কৰিছে তথাপি অনুসূচীত জাতি আৰু জনজাতিৰ উন্নতিকল্পে যি উপদেষ্টা পৰিষদ আছে সেই পৰিষদে বহু দিনৰে পৰা আপত্তি দৰ্শাই আহিছে এটা সুকীয়া সঞ্চালক দিব লাগে বুলি। এই মৰ্ম্মে ১৯৬৩ চনতে এটা ৰিপৰ্ট মুখ্য মন্ত্ৰীৰ ওচৰত দাখিল কৰা হৈছিল। চৰকাৰে অৰশ্যে তেতিয়া সঞ্চালক নেপাতি এটা সুকীয়া নিগম কৰি তাৰ জৰিয়তেই উন্নয়ন কামবিলাক চলায় আছে।

পিচ পৰা সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে প্ৰায় ৫ কোটি টকা অসম চৰকাৰক দিয়ে। যোৱা ৪ৰ্থ পৰিকল্পনাত ৫ কোটি টকা

দিছিল আৰু ৫ম পৰিকল্পনাতো ৫ কোটি টকা ধাৰ্য্য কৰিছে। এই টকাবিলাক বাৰ্ষিক যোজনাৰ যোগে খৰছ কৰা হয়। যোৱা ১৯৭৪-৭৫ চনত প্ৰায় ৮০ লাখ টকা খৰছ হল আৰু ১৯৭৫-৭৬ চনত প্ৰায় ১ কোটি টকা খৰছ হব। এই টকাবিলাক তেওঁলোকৰ শিক্ষা, স্বাস্থ্য ৰক্ষা, আৰ্থিক উন্নতি আৰু অন্যান্য আঁচনিৰ যোগে খৰছ কৰা হয়। এই আঁচনি বিলাকৰ টকা সাধাৰণতে মহকুমা আৰু জিলাধিপতিয়ে উপদেষ্টা বৰ্ডৰ পৰামৰ্শমতে খৰছ কৰে আৰু কৰি আছে। এই টকা যে ঠিকমতে খৰছ হোৱা নাই তাৰপ্ৰমাণ যোৱাবাৰ খৰছ কৰিব নোৱাৰা প্ৰায় ৯ লাখ টকা নিগমৰ নামত বেংকত জমা থবলৈ দিয়ে।

(এনেতে সদনত থুলৰ অভাব হয়)

অধ্যক্ষ মহোদয় যদিও টকাবিলাক অনুসূচীত জাতি আৰু জনজাতিৰ বাবে খৰছ কৰাৰ কথা, কিন্তু চৰকাৰী বিষয়া সকলে কোনো ইণ্টাৰেষ্ট নোলোৱাৰ বাবে সময়মতে খৰছ হোৱা নাই। উদাহৰণ স্বৰূপে কব পাৰো যে ব্যক্তিগত মানুহক নিজৰ আঁচনিত খৰছ কৰিবলৈ যি টকা দিয়ে সেই টকা ঠিকমতে খৰছ নকৰাত অপব্যয় হৈছে বুলি অনুমান হয়। পানী যোগান আঁচনিত ব্যক্তিগত মানুহক কুঁৱা বা দমকল খানিবলৈ টকা দিয়া হয় সেই টকাও পিচতহে দিয়ে, প্ৰথমতে নিজে খৰছ কৰি তাৰ ৰছিদ অফিচত দাখিল কৰিলেহে সম্পূৰ্ণ টকা দিয়ে। সাধাৰণ গাৱঁলীয়া মানুহে নিজে এইদৰে টকা খৰছ কৰিব নোৱাৰে বাবে আধা টকা পৰি আছে। এইদৰে টকাবোৰ এফালে আধানাৰ্জি হৈছে আনফালে আধাটকা পৰি আছে। সেই কাৰণে উপদেষ্টা পৰিষদে চৰকাৰক পৰামৰ্শ দিছে যে দুটা সঞ্চালক গঠন কৰিলে সকলোৰে উপকাৰ হব। এতিয়া নিগমৰ জৰিয়তে টকা ঠিকমতে খৰছ কৰিব নোৱাৰাত বহুত ব্যাঘাট জন্মিছে। এই মতেই কাম চলিলে যি উদ্দেশ্যে এই টকা ধৰা হৈছে সেই উদ্দেশ্য সফল হব বুলি মই ভাবিব নোৱাৰো। শ্ৰীপেগু ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো কাৰ্য্যকৰী কৰিলে প্ৰায় ১ কোটি টকা প্ৰতি বছৰে খৰছ হব বুলি ভাবো। গতিকে এটা সঞ্চালক গঠন কৰি যদি মহকুমা পৰ্য্যায়ত টকাবোৰ খৰছ কৰে তেনেহলে পিচপৰা দুখীয়া লোক সকলে নিজৰ অৱস্থাৰ উন্নতি কৰাত বহুত সকাহ পাব বুলি ভাবো। সেই-

কাৰণে চৰকাৰক অনুৰোধ কৰো যে অনতিপলমে প্ৰস্তাৱটো কাৰ্য্যত পৰিণত কৰিবলৈ দিহা কৰে যেন? ইয়াকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পেগু ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইআষাৰমান কথা কবলৈ বিচাৰিছো। আমাৰ চৰকাৰৰ অধীনত এতিয়ালৈকে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায় সমূহৰ বাবে কোনো সঞ্চালকালয় নাই। এতিয়ালৈকে চৰকাৰী বিভাগৰ অধীনত এই বিষয়বিলাকৰ ক্ষেত্ৰত চৰকাৰে তত্বাবধান লৈছে। আমাৰ সংবিধানত বিশেষভাবে অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু পিচপৰা সম্প্ৰদায় সকলৰ কাৰণে এটা বিশেষ ব্যৱস্থা কৰা হৈছে আৰু সেই ব্যৱস্থা এতিয়া যদিও আৰম্ভনীতে সংবিধানত ১০ বছৰৰ কাৰণে প্ৰৱৰ্ত্তন কৰা হৈছিল পুনৰ আৰু ১০ বছৰৰ কাৰণে তাক বঢ়াই দিয়া হৈছে। সেই কাৰণেই সংবিধানত সুবিধাখিনি বঢ়াই দিয়া হৈছে। এতিয়া আমি দেশৰ এই অংশ লোকৰ সামাজিক অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বহুখিনি কৰিবলগীয়া আছে। আমাৰ সমাজৰ এই অংশৰ অৰ্থ নৈতিক আৰু বিশেষকৈ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এতিয়া বহু পৰিমানে পিছপৰি আছে। কিন্তু সেইখিনি সাংবিধানিক নিৰাপত্তা থকা স্বত্বেও এই ৰাজ্যত সেইখিনি কাৰ্য্যকৰী কৰাৰ কাৰণে কোনো প্ৰশাসনীয় গোট এতিয়ালৈকে তৈয়াৰ কৰা হোৱা নাই। ইতিমধ্যে যিখিনি সংবাদ আমি পাইছো যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ চৰকাৰবিলাকে এই বিষয়ে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। অন্ধ্ৰ প্ৰদেশৰ অন্যান্য পিচপৰা শ্ৰেণীৰ সম্প্ৰদায়ৰ কাৰণে এটা বেলেগ বিভাগ আছে আৰু সঞ্চালকালয় ৰাজ্যিক চৰকাৰে গঠন কৰিছে। এই সঞ্চালকালয়ে চৰকাৰৰ পৰা অহা বিভিন্ন অনুদান আদিৰ ব্যয় কৰা সম্পৰ্কে লক্ষ্য কৰে। ঠিক তেনেকৈয়ে কেৰেলা প্ৰদেশৰ এটা সঞ্চালকালয় হৰিজন সকলৰ কাৰণে তৈয়াৰ কৰা হৈছে। আৰু সেই সঞ্চালকালয় অনুসূচীত জনজাতি আৰু অন্যান্য অনুন্নত সম্প্ৰদায় সমূহৰ অধিকাৰখিনি ৰক্ষা কৰাৰ কাৰণে আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা বিভিন্ন খিতানত যিখিনি অনুদান আহে সেইখিনি যাতে ভাল ভাবে ব্যৱহাৰ কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখে। মহাৰাষ্ট্ৰত যদিও বেলেগ কোনো সঞ্চালকালয় নাই তাৰ মুখ্যমন্ত্ৰীৰ চেয়াৰমেনচিপত এটা হাই পাৱাৰৰ কমিটি গঠন কৰি

সেই কমিটিয়ে এই সম্প্ৰদায় সমূহৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখে। আৰু যিহেতুকে অসম চৰকাৰে ইতিমধ্যে ৰাজ্যিক আৰু মহকুমা পৰ্য্যায়ত অনুসূচীত জাতি, অনুসূচীত জনজাতি, আৰু অন্যান্য পিচপৰা সম্প্ৰদায় সমূহৰ বাবে উন্নয়ন বৰ্ড গঠন কৰি দিছে। তাৰোপৰি এইবিলাক সম্প্ৰদায়ৰ বাবে বেলেগে নিগম চৰকাৰে গঠন কৰি দিছে। গতিকে আৰম্ভনীতে এই সদনত চৰকাৰৰ যিমানখিনি উন্নয়নমূলক কাম হৈছিল যিহেতুকে চৰকাৰে বিভিন্ন স্তৰত উন্নয়ন বৰ্ড গঠন কৰিছে, উন্নয়ন নিগম গঠন কৰিছে, এই সময়তো চৰকাৰে এটা বেলেগ সঞ্চালকালয় মুকলি কৰা অতি প্ৰয়োজন হৈ পৰিছে। সেইকাৰণে অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যিক চৰকাৰে এই বিষয়টো গভীৰভাবে বিবেচনা কৰি চাই অতি সোনকালে এটা বেলেগ সঞ্চালকালয় মুকলি কৰাৰ কাৰণে চেষ্টা কৰিব যাতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক চৰকাৰৰ তৰফৰ পৰা এই ক্ষেত্ৰত উন্নয়নৰ কাৰণে যিখিনি টকা পইচা মঞ্জুৰী দিয়া হৈছে আৰু যিবিলাক উন্নয়নমূলক আঁচনি গ্ৰহণ কৰা হৈছে, সেইবিলাক যাতে ঠিক সময়ত আৰু ভালভাবে কাৰ্য্যকৰী কৰিব পৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই কথাখিনি কৈ মই মাননীয় পেগু ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ প্ৰতি মই সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

*Shri Subhankar Singh — Sir, this is a question mostly concerned with the all round progress of all the communities specially the weaker, weakest in the race of progress. Sir, you know that the business of the Govt. has been divided into as many as three classes – leg islative, executive and judicial. The spirit behind the division is the smooth working of the Govt. so that justice can be meted out to all and law cannot be twisted at all. Sir, in the words of Montesque, to him all Englishmen enjoy the greatest liberty because of the separation of powers. So, also English jurist Blackstone and American writer Hamilton expressed accumulation of all the powers mainly or clearly define what is. So, Sir, the creation of different directorate for different down–trodden communities is a necessity.

★Speech not corrected

Sir, sometimes we find that the D.P.Is. office which is the only directorate for education, goes overloaded with work; they are even to surrender money at the fag end of the year. We find that there is a State Scholarship Board with one D.D.P.I. as its Secretary. The minutes of the State Scholarship Board cannot be peeped into by the Director himself which he has expressed with sorrow, rather with regret in the last meeting of the scholarship board. Our aim is just to expedite the matters with seriousness and to accommodate all those specially the depressed in the race of education and social status. Hence my hon'ble friend Shri Gogoi has quoted the activities in Maharashtra and Kerala. That is a fact. A high powered committee has been set up there in Maharastra with the Chief Minister in the Chair. The functions of that high—power committee are to ensure all round development in the State of Maharashtra; that is of course relating to all round development of other backward classes. The communities here classed as Scheduled Caste are defined as other Backward classes there in Maharashtra, Sir. So, Sir, in Kerala too there is a separate Directorate under the style "The Harijan Welfare Department" and that Department ensures all round development of the Harijan groups so also the economically backward classes. Therefore, the creation of a separate Directorate to deal with separate problems in the days of intensity of population, Assam being over-crowded at the moment, is a must if at all this Govt. desires just to see that a classless society is created here in Assam. With this humble contention I take the chance to support the Motion tabled before the House by Mr. Mal Chandra Pegu, in the interest of the downtrodden communities. With these observations, Sir, I resume my seat.

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ সভাপতি মহোদয়, মই এই প্ৰস্তাবটো সমৰ্থন কৰি কব বিচাৰিছো যে ইয়াৰ কাৰণে এটা বেলেগ ডিৰেক্টৰীয়েট হব লাগে। কাৰণ বৰ্ত্তমান ব্যৱস্থাত যিটো সমাজৰ পিচ পৰা শ্ৰেণী সেই শ্ৰেণীটোৰ কোনো স্নবিধা হোৱা নাই। লৰা-ছোৱালী বিলাকক স্কুল-কলেজত পঢ়িবৰ

কাৰণে যিটো বৃত্তি দিয়া হয় তাৰ দ্বাৰাও কোনো সুবিধা নহয়। কাৰণ এই বৃত্তিটো কলেজত ভৰ্ত্তি হোৱাৰ ৮৷৯ মাহৰ পিচতহে দিয়া হয়। আৰু একে লগে এই টকাটো পোৱাৰ কাৰণেই ইয়াৰ সৎব্যৱহাৰ নহয়। আমি আন আন ৰাজ্য বিলাকত দেখিছো যে পিচপৰা শ্ৰেণীৰ লৰা-ছোৱালী বিলাক স্কুল-কলেজত ভৰ্ত্তি হোৱাৰ লগে লগেই এই টকাতো পায়। কোনোবা ৰাজ্যত ছুটা ইন্ ষ্টলমেণ্টত দিয়ে কোনোবা ৰাজ্যত তিনিটা ইন্ ষ্টলমেণ্টত দিয়ে। আমাৰ ইয়াত যি টকা দিয়ে সেইটো দেৰিকৈ দিয়াৰ- কাৰণে সেই টকাৰে তেওঁলোকে কলেজতো ভৰ্ত্তি হব নোৱাৰে আৰু কিতাপ পত্ৰও কিনি লব নোৱাৰে। এজন পিচ পৰা সমাজৰ লৰাই মেট্ৰিক ১ম বিভাগত পাচ কৰিও আৰ্থিক দুৰবস্থাৰ কাৰণে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হব লগীয়া হয়। কাৰণ আগতীয়াকৈ টকা নোপোৱাৰ কাৰণে তেওঁলোকে কলেজত ভৰ্ত্তি হব নোৱাৰে। কাৰণ সকলো টকা নিজে যোগাৰ কৰি লৈহে কলেজত ভৰ্ত্তি হবলগীয়া হয়। কিন্তু যাৰ আৰ্থিক অৱস্থা বেয়া সি কেনেকৈ টকা যোগাৰ কৰি কলেজত ভৰ্ত্তি হব? সেই কাৰণেই এই ধৰণৰ ভাল লৰা বিলাকৰ ভাগ্যও দুৰবস্থাত পৰিণত হয়। গতিকে এনে ধৰণৰ এটা বেলেগ ডিৰেক্টৰীয়েট খুলিলে সুবিধা হব। আমাৰ ইয়াত অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু আন পিচ পৰা সম্প্ৰদায়ক ওপৰলৈ উঠাবৰ কাৰণে হৈ হাল্লা কৰি আছে। কিন্তু কামৰ বেলিকা কোনো হৈ হাল্লা কৰা নাই। গতিকে চৰকাৰে পিচ পৰি থকা শ্ৰেণী সমূহক উন্নত কৰিবৰ কাৰণে যি বিলাক আচনি লৈছে সেই বিলাক যদি কাৰ্য্যকৰী কৰা নহয় তেনেহলে আমাৰ পিচ পৰি থকা সমাজ পিচ পৰিয়েই থাকিব। কোনোবাই হয়তো কব পাৰে যে ইয়াত পিচপৰা শ্ৰেণীৰ প্ৰতিনিধিও আছে। কিন্তু তেওঁলোকে এই পিচপৰা সমাজ খনক আগবঢ়াই আনিবৰ কাৰণে কোনো সা সুবিধা পোৱা নাই। গতিকে আমাৰ চৰকাৰৰ যি বিলাক চিন্তা ধাৰা সেই বিলাক কাৰ্য্যত পৰিণত কৰিব লাগে। কেৱল মুখেৰে হৈ হাল্লা কৰি থাকিলে একো নহব। পিচপৰা সমাজ খনক আগবঢ়াই আনিব নোৱাৰিলে আমাৰ দেশ কেতিয়াও সকলো ফালৰ পৰাই উন্নতি কৰিব নোৱাৰিব। এই বিলাক কথা বিবেচনা কৰিবলৈ গলে আমাৰ ইয়াত এটাই নহয় কেইবাটাও যেনে ডেভেলাপমেণ্ট ডিৰেক্টৰীটেৰ প্ৰয়োজন আছে। আমি দক্ষিণ ভাৰতলৈ

যাওতে বেকৱাৰ্দ কমিটিৰ মেম্বাৰ গৈছো বুলি বুকুত লেভেল মাৰি গৈছিলো। তাৰ মুখ্য মন্ত্ৰীক আমাৰ সদস্যা শ্ৰীমতী আনন্দি বালা ৰাভাই চাৰ্জ কৰিছিল যে আমাৰ ইয়াত অস্পৃশ্যতা নাই। দক্ষিণ ভাৰতত অস্পৃশ্যতা আছে কিন্তু উত্তৰ ভাৰতত অস্পৃশ্যতা নাই। চৰকাৰে কৈছে যে ইনটাৰ কাচট মেৰিজ হব লাগে আৰু তাৰ কাৰণে চৰকাৰে সহায়ো কৰিব। কিন্তু মানুহৰ এটা যিটো জাতিগত স্বভাব যিটো জন্মগত স্বভাব সেইটো ইমান সহজে দুৰ কৰিব পৰা টান হব। এই বিলাক ব্যৱস্থা থকা স্বত্ত্বেও যদি চিন্তা নকৰে তলৰ শ্ৰেণীৰ মানুহক আগবঢ়াই লৈ নাহে তেন্তে তেওঁলোক সদায় তলতে পৰি থাকিব।

আজি সমাজৰ এক শ্ৰেণী মানুহক নিষ্পেষিত কৰি ঘৃণা আৰু অৱজ্ঞাৰ চকুৰে চোৱাৰ পৰিণাম আজি নহলেও অদূৰ ভৱিষ্যতে সমাজৰ পৰিপন্থি হব। এনে ধৰণৰ কাৰ্য্যপন্থা আৰু দৃষ্টিভঙ্গী এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত গণতন্ত্ৰৰ পৰিপন্থি। বিশেষকৈ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত এই নিষ্পেষিত জনজাতি, অনুসূচীত সম্প্ৰদায় আৰু অন্যান অনুন্নত সম্প্ৰদায় বিলাকক সমাজৰ সমসাৰীলৈ অনাৰ যি এটা প্ৰচেষ্টা চলিছে তাৰ পৰিপ্ৰেক্ষিতত অসমতো শৰৎ সিংহৰ নেতৃত্বত গঠিত হোৱা চৰকাৰে এই নিষ্পেষিত লোক সকলক সৰ্বোতভাৱে উৎকৰ্ষ সাধন কৰি অনাটোকেই মই বিচাৰো। এনে কোনো নীতিৰ সূচনা কৰা উচিত নহয় যে যি নীতিৰ অন্তৰালত এই লোক সকলে আৰ্থিক বা সামাজিক ভাৱে উৰ্দ্দগতিৰ পথত অন্যান্য উন্নত সম্প্ৰদায়ৰ সমশাৰীলৈ আহিবলৈ অসমৰ্থ হয়। আজি জনজাতি সম্প্ৰদায়, অনুসূচীত সম্প্ৰদায়, আৰু বিভিন্ন অনুন্নত সম্প্ৰদায়ৰ সুবিধা দিয়াৰ নামত এই যাৱতীয় সম্প্ৰদায় বিলাকৰ মাত্ৰ কেইগৰাকীমান উন্নত লোকে আৰু তেওঁলোকৰ অঙাই-বঙায়ে সকলো থিনি সুবিধা ভোগ কৰি আহিছে আৰু ফলত অতিকৈ পিচ পৰি থকা যাৱতীয় সম্প্ৰদায় লোক সকল এতিয়ালৈকে আচুতীয়া সুবিধাৰ পৰা বঞ্চিত হৈ নিষ্পেষিত হৈয়ে আছে। এনে ধৰণৰ ব্যৱস্থাটো সলনি কৰাৰ কাৰণে যদি সংবিধান কৰিবলগীয়া হয়, তাকো কৰিব লাগে। ঘোষিত সুবিধা সমূহ এই সম্প্ৰদায়ৰ অতিকৈ নিষ্পেষিত শ্ৰেণীয়ে যে পোৱা নাই তাৰ উদাহৰণ স্বৰূপে মই কব পাৰো যে ফৰেষ্টত শতকৰা চাৰে সাত ভাগ ৰয়েলটি এই সম্প্ৰদায় বিলাকৰ ক্ষেত্ৰত ৰেহাই দিয়া হয়, কিন্তু আজি লৈকে কিছুমান উচ্চপদস্থ বিষয়াই এনে ধৰণৰ সুবিধাৰ পৰা তেওঁলোকক বঞ্চিত

কৰি ৰাখিছে। কিন্তু আমি এই খিনিতে মনত ৰখা উচিত যে এনে প্ৰহেলিকা সদায় অক্ষুণ্ণ ভাৱে চলি থাকিব নোৱাৰে। এই ক্ষেত্ৰত মই ধৰ্মগ্ৰন্থৰ পৰা এটা কথা উদ্ধৃত কৰি কও যে প্ৰাগ ঐতিহাসিক যুগত দেবতা আৰু অসুৰ সকলোৰো কোনে কাক তলত পেলাব পাৰে সেই মৰ্মে যুদ্ধ চলি আছিল। কেতিয়াবা দেবতা সকল হাৰে আৰু কেতিয়াবা অসুৰ সকল হাৰে। পৰাজিত সম্প্ৰদায়টোৱে নানা কলা-কৌশল অৱলম্বন কৰি পুনৰবিজিত হৈ পৰে ঠিক তেনেকৈ আমাৰ ৰাষ্ট্ৰতো ধনী আৰু দুখীয়াক দুটা সম্প্ৰদায় বুলি আখ্যা দিয়া হয় তেতিয়াও পাও যে ধনী আৰু দুখীয়াৰ মাজৰ সংঘৰ্ষত ধনীসকল বিজিত হৈ ইমান দিনে ভোগ কৰিলে। এতিয়া দুখীয়া সকলেও কিছু কলা-কৌশল শিকি ললে আৰু অতীজৰ চলি থকাৰ নিচিনাকৈ এই দুখীয়া সকলে ধনী সকলক চলি থকা সংঘৰ্ষত পৰাজিত কৰিব বুলিয়েই মই আশা কৰো। দেবতা সকলৰ নিচিনা আনন্দত আত্মহাৰা হৈ থকাৰ দৰে এতিয়ালৈকে ধনী সকলেও বিজিতা হৈ আনন্দত আত্মহাৰা হৈছে আৰু তেওঁলোকৰ আনন্দৰ কাৰণে দুখীয়া সকলে নানা কষ্ট ভোগ কৰিছে। গতিকে এই উৎকত সমস্যাটোৰ সমাধান কৰাৰ কাৰণে চৰকাৰে আগ-ভাগ লব লাগে। এই সম্প্ৰদায় বিলাকক বহুতো আচুতীয়া সুবিধা দিয়াৰ কথা ঘোষণা কৰা হৈছে। কিন্তু সুবিধা বিলাক বৰ্তমানৰ দৰে সিচৰিত কৰি দিলে প্ৰকৃত নিষ্পেষিত লোক সকলে ভোগ কৰিব পাৰে নোৱাৰে সেই কথাটোও চোৱা দৰকাৰ। এটা কেচুৱা লৰাক যদি টান বস্তু এটা দিয়া হয়, তাক দিয়াৰ নাম কৰিলেও সি সেইটো ভোগ কৰিব নোৱাৰে তাৰ কাৰণে বস্তুটো সিদ্ধ কৰি কোমল কৰি দিব লাগে। ঠিক তেনেকৈ দুৰ্বল শ্ৰেণীৰ লোকে সহজতে ঘোষিত সুবিধা বিলাক লব পৰাকৈ চৰকাৰে যথাযথ ব্যৱস্থা কৰিব লাগে। মুখ্যমন্ত্ৰীয়ে এদিন এই সদনতে কোৱা মোৰ মনত পৰে যে এজনী ছাগলীয়ে কেবাটাও পোৱালী দিয়ে। বলি পোৱালীটোৱে দুৰ্বলী পোৱালীটোক বঞ্চিত কৰি সকলোখিনি আহাৰ খাই পেলায়। আৰু দুৰ্বলিটো দুৰ্বল হৈয়ে যায় বলিটো বেছি সবল হয়। দুৰ্বলি ছাগলীটোক আহাৰ খুৱাত মালিকে যেনেকৈ সহায় কৰিব লাগে ঠিক তেনেকৈ দুৰ্বল শ্ৰেণীৰ লোক সকলে যাতে সমভাৱে সুবিধা বিলাক ভোগ কৰিব পাৰে তাৰ কাৰণে চৰকাৰে চোৱাটো নিতান্ত প্ৰয়োজন।

কিছুমানৰ কাৰণে এটা বক্তৃতা দিয়েই কাম হয়। কিন্তু কিছুমান ঠাইত বেলেগ পন্থা অৱলম্বন কৰিব লগীয়া হয়। গতিকে সকলো ঠাই বা মানুহৰ পৰিবেশ একে নহয়। আজি শিক্ষা বিষয়ত যেনে আচুতীয়া বৃত্তি দিয়া হৈছে। কিন্তু সেই বৃত্তি বিলাক যি সকলৰ কাৰণে দিয়া হৈছে সেই সকলে পোৱা নাই। সেই কাৰণে মই আগতেই কৈছিলো যে এটা বেলেগে ডিৰেক্টৰেট হওক। কিন্তু সেইটো এতিয়াও হোৱা নাই। এতিয়া এই বিভাগ মুখ্যমন্ত্ৰীৰ হাতত আছে তেখেতৰ চিন্তাধাৰা বেলেগ। গতিকে তেখেতে এতিয়া কৰিব পাৰে। আৰু যদি এতিয়াও নহয় তেন্তে হোৱাৰ আৰু কোনো আশা নাই। আজি অনুন্নত সম্প্ৰদায় আৰু অতি অনুন্নত সম্প্ৰদায় বুলি দুটা শ্ৰেণী কৰা হৈছে। সুবিধাৰ ক্ষেত্ৰত কাৰনো কি সুবিধা দিছে সেই কথা নাজানো। সংবিধানত অনুসূচীত জনজাতি, অনুসূচীত সম্প্ৰদায়, আৰু অন্যান্য অনুসূচীত সম্প্ৰদায় বুলি অভিহিত হৈ আছে। বৰ্তমানৰ জৰুৰী কালিন অৱস্থাত যদি চৰকাৰে জাগৰণ আনি দিব নোৱাৰে যে সমাজত তোমালোক অৱহেলিত নিষ্পেষিত, তেতিয়া হলে বৰ্তমানে যি সকলে নেতৃত্ব লৈছে তেখেত সকলে কৰ্তব্যৰ পৰা বিৰত হব। আজি এখন দেশত কিছুমানে খাই মৰিছে কিছুমানে নোখোৱাকৈ মৰিছে। কিন্তু নোখোৱাকৈ মানুহ বহু দিনলৈ নমৰে। মই দেখিছো ৭০ দিনলৈ নোখোৱাকৈ আছে। অৱশ্যে তেওঁলোকৰ কষ্ট বেছি হয়। সেই কাৰণে তিলে তিলে এই লোক সকলক কষ্ট দিয়াৰ কাৰণে নেতৃত্বৰ ওপৰতে জগাব পৰিব। গতিকে অৰ্থনৈতিক ভাৱে এই দুৰ্বল শ্ৰেণীটোক আগবঢ়াই নিয়াৰ চেষ্টা সময় থাকোতে কৰিব লাগে। আজি কোৱা হৈছে যে আমাৰ মহিলা সকলে সকলো ক্ষেত্ৰতে পুৰুষৰ সমশাৰীলৈ আহিব লাগে। কিয়নো এই মহিলা জাতি সকলোতকৈ পিচ পৰা। গুৱাহাটীত এই মহিলা আন্দোলন কেৱল যদি সীমিত থাকে আৰু অন্য ঠাইলৈ অপসাৰিত নহয় তেতিয়াহলে তাৰ পৰা এই আন্দোলনৰ কৃতকাৰ্য্যতা হোৱা টান। গতিকে অৰ্থনৈতিক ভাৱে সমবিতৰণ কৰিব লাগিলে অকল অন্যান্য সুবিধাই নহয় চাকৰিৰ ক্ষেত্ৰতো যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মই এই কথা খিনিকে চৰকাৰৰ দৃষ্টিলৈ আনি এই প্ৰস্তাৱটো সমৰ্থন কৰো আৰু লগতে আমাৰ মাননীয় সদস্য মাল পেগুৰ এই সুন্দৰ চিন্তাধাৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তৃতাৰ সামৰণী মাৰিলো।

ডাঃ কোমেশ্বৰ বৰা ঃ মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য শ্ৰীমাল

চন্দ্ৰ পেগু ডাঙৰীয়াই অনা প্ৰস্তাৱটো সমৰ্থন কৰি দুবাৰমান কব বিচাৰিছো। আজি আমাৰ অন্যান্য পিচপৰা জাতি সমূহৰ লগতে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোক কাম কাজৰ অসুবিধালৈ লক্ষ্য ৰাখিয়ে ইয়াৰ এটা বেলেগ সঞ্চালকালয় প্ৰয়োজন অনুভৱ কৰা হৈছে। আজি পিচপৰা সম্প্ৰদায়ৰ কাৰণে বহুত বেছি সুবিধাই দিয়া হৈছে কিন্তু তেওঁলোকে নানান কাৰণত লব পৰা নাই। পিচপৰা সম্প্ৰদায়ৰ ভিতৰত বিশেষকৈ ছাত্ৰ সকলৰ বৃত্তিত বেছি টকা ধৰা হৈছে কিন্তু এই টকাৰ সত-ব্যবহাৰ নহয়। কাৰণ ছাত্ৰ-ছাত্ৰী সকলে যি সময়ত বা যি ধৰণে বৃত্তি পাব লাগিছিল সেই ধৰণে বা সেই সময়ত বৃত্তি পোৱা নাই। সাধাৰণতে দেখা যায় পিচপৰা সম্প্ৰদায়ৰ মাজতো যিবিলাক ধনী শ্ৰেণীৰ মানুহ তেওঁলোকে এই সুবিধাবিলাক বেছিকৈ পায়। কাৰণ যিসকল দুখীয়া লৰা-ছোৱালী আৰু যি পাব লাগে তেওঁলোকে নানা কাৰণত পোৱা নাই। কাৰণ বহুত সময়ত স্কুল বা কলেজ বিলাকে ফৰম নাপায় আৰু কোনো ক্ষেত্ৰত হেড মাষ্টৰ বা অধ্যক্ষই এই পিচপৰা সম্প্ৰদায়ৰ লৰা-ছোৱালী খিনিৰ বাবে যিখিনি যত্ন লোৱা দৰ্কাৰ সেইখিনি যত্ন নলয় আৰু কেতিয়াবা নানা কাৰণ দেখুৱাই ফৰমখন নপঠায়। এই অসুবিধাবিলাক তলৰ লেভেলত বেছি দেখা যায়। আৰু কিছুমান ক্ষেত্ৰত উপায়ুক্ত বা উপপ্ৰতি সমাহৰ্ত্তাৰ চহী লাগে কিন্তু দুখীয়া লৰা-ছোৱালী বা অভিভাৱক সকলে জিলালৈ আহি সেই চহী লোৱা বৰ টান। ফলত প্ৰকৃততে বৃত্তি পাবলগীয়া আচল লৰা-ছোৱালীখিনি বাদ পৰি যায়। কিন্তু যাৰ টকা পইছা আছে তেওঁলোকে সেই সুবিধা সোনকালে লব পাৰে। তাৰ পিচত যেতিয়া ফৰম বিলাক ডি পি আইলৈ আহে তাতে সেই বিভাগৰ কৰ্ম্মচাৰী নথকা বা কম হোৱা বাবে স্ক্ৰুটিনি আদি কৰাত দেৰি হয় আৰু আলটিমেটলি গৈ লেপচ্ হয়। গতিকে ইয়াৰ যদি এটা বেলেগ সঞ্চালকালয় হয় তেতিয়া এই অসুবিধাবিলাকৰ কিছু সাম কাটিব। আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰধানী ডাঙৰীয়াই ঠিকেই কৈছে যে বৃত্তি পালেও ছাত্ৰ-ছাত্ৰীসকলে সত্ কামত ব্যৱহাৰ কৰিব নোৱাৰে কাৰণ যি সময়ত বৃত্তিটো যায় সেই সময়ত লৰা-ছোৱালী স্কুল কলেজ এৰি ঘৰলৈ যায়, ফলত গৃহস্থই কষ্ট কৰি হলেও হালৰ গৰু বিক্ৰী কৰি, মাটি বাৰী বিক্ৰী কৰি লৰাজনক পঢ়াইছিল আৰু আশা পোষণ কৰিছিল যে চৰকাৰৰ পৰা সাহায্য পাব কিন্তু

সেইটো হৈ নুঠে। আনহাতে স্কুল কলেজ এবাৰ পিচত লবা-ছোৱালী বিলাকে সেই টকাৰে কাপোৰ কিনা চিনেমা আদি চোৱা নানা কামত খৰচ কৰে। গতিকে দেখা যায় চৰকাৰে ছাত্ৰ-ছাত্ৰী বা অভিভাৱকসকলৰ সুবিধাৰ্থে যি বৃত্তি আগবঢ়াইছিল সেইটো অকামতহে খৰচ হয়। গতিকে ইয়াৰ কাৰণে যদি এটা বেলেগ সঞ্চালকালয় প্ৰতিস্থা কৰা হয় তেতিয়াহলে এই খেলিমেলি কিছু আঁতৰিব। এই সম্পৰ্কে বিধান সভাত আমি কেইবাবাৰো আলোচনা কৰিছো কিন্তু উদ্দেশ্যেত উপনীত হব পৰা নাই আৰু তেতিয়াৰে পৰাই ইয়াৰ কাৰণে এটা বেলেগ সঞ্চালকালয়ৰ আৱশ্যকতা অনুভৱ কৰি আহিছো। ইয়াৰ বাবে অকল যে ছাত্ৰ-ছাত্ৰী সকলৰ বৃত্তিতেই সহায় হব এনে নহয় পিচপৰা সম্প্ৰদায়ৰ যিখিনি দুখীয়া শ্ৰেণীৰ লোক তেওঁলোকৰো যথেষ্ট সুবিধা হব বুলি মই বিশ্বাস কৰো। আজি এই উপযুক্ত সময়তেই মাননীয় সদস্য শ্ৰীপেণ্ড ডাঙৰীয়াই যিটো মোচন আগবঢ়াইছে সেই মোচনটো মই সৰ্ব্বান্তকৰণে সমৰ্থন কৰি মই মোচনটো সমৰ্থন কৰিলো, আৰু বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীঅযোধ্যাৰাম দাস ঃ মাননীয় চেয়াৰম্যান মহোদয়, মাননীয় সদস্য শ্ৰীপেণ্ড ডাঙৰীয়াই অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কল্যাণৰ অৰ্থে যি বেলেগ সঞ্চালকালয়ৰ মোচন আনিছে মই তাক সমৰ্থন জনাইছো। আৰু এই সমৰ্থনৰ সপক্ষে দুআষাৰ কবলৈ আগবাঢ়িছো। এই বিভাগৰ এটা বেলেগ সঞ্চালকালয় লাগে বুলি ১৯৭২ চনৰ শিলঙৰ শেষ বিধান সভাতে আধাঘণ্টা জোৰা এটা আলোচনা দাঙি ধৰা হৈছিল আৰু তেতিয়া চৰকাৰ পক্ষৰ পৰা উত্তৰত কৈছিল যে বিষয়টো বিবেচনাধীন হৈ আছে। পিচপৰা সম্প্ৰদায়ৰ কল্যাণৰ হকে এটা বেলেগ সঞ্চালকালয়ৰ অতি আৱশ্যক তাৰ প্ৰয়োজন সকলোৰে অনুমেয়। সমাজৰ যিসকল দুৰ্ব্বল শ্ৰেণীৰ লোক তেওঁলোকৰ উন্নতিৰ কাৰণে যি ধৰণে প্ৰশাসন ব্যৱস্থা হব লাগিছিল সেই ধৰণে হোৱা নাই আৰু আঁচনি বিলাক কাৰ্য্যকৰী হৈ উঠা নাই। আজি বিভিন্ন ক্ষেত্ৰত চৰকাৰে টকা আগবঢ়াইছে। কিন্তু প্ৰকৃতপক্ষে যথাযথ ভাবে বাইজে ইয়াৰ সুফল পাইছে নে নাই বা উচিত ক্ষেত্ৰত প্ৰয়োগ হৈছে নে নাই এইটো বিচাৰ কৰি চোৱাৰ সময় হৈছে। কিন্তু এই কথা বিলাক বিশ্লেষণ কৰি চোৱাৰ কাৰণে কোনো মেচিনাৰি নাই। সেই কাৰণে

স্বাধীনোত্তৰ কালচোৱাত এই পিচ্‌পৰা সম্প্ৰদায়ৰ কাৰণে ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে যথেষ্ট টকা খৰচ কৰিছে যদিও প্ৰকৃতপক্ষে কামবোৰ হৈ উঠা নাই। গতিকে সকলো দিশৰ পৰা এই পিচপৰা শ্ৰেণীৰ সমস্যালৈ লক্ষ্য ৰাখি ইয়াৰ কাৰণে এটা মেচিনাৰি তৈয়াৰ কৰা দৰ্কাৰ।

সেইকাৰণে চেয়াৰম্যান মহোদয়, সকলো ফালৰ পৰা যোগসূত্ৰ ৰক্ষা কৰিবলৈ আৰু সমস্যাৱলীৰ প্ৰতি সুন্দৰভাৱে দৃষ্টিগোচৰ হব পাৰে তাৰ কাৰণেও এটা পৃথক সঞ্চালকালয় অতি দৰ্কাৰ। মহকুমা বিলাকত নানান ধৰণৰ কমিটি আছে বিভিন্ন বিভাগীয় বোৰ্ড আদিও আছে কিন্তু তথাপি সুকীয়াকৈ যদি সমাজ কল্যাণ আৰু ট্ৰাইবেল ওৱেলফেয়াৰৰ কাৰণে সচিবালয় পৰ্য্যায়ত তলৱ ফালৰ পৰা তত্‌পৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। সচিবালয় পৰ্য্যায়ত এজন মাত্ৰ প্লেনিং অফিচাৰ আছে আৰু তেখেতে গোটেই অসমৰে কাৰণে আঁচনি কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা লবলগীয়া হয় যদিও আৰু তিনিটা এডভাইজৰি কমিটি আৰু বোৰ্ড আৰু তথাপি কেন্দ্ৰীয় চৰকাৰৰ পৰা অথবা ৰাজ্যিক চৰকাৰৰ টকা বিতৰণ কৰি দিয়াৰ পিচত টকাখিনি কলৈ গল? ক'ত ব্যৱহাৰ হ'ল, ব্যৱহাৰ কৰা হল নে নাই হোৱা ইত্যাদি চোৱাৰ কাৰণে কোনো নাই। সেইবাবে এটা পৃথক সঞ্চালকালয়ৰ আৱশ্যকতা মই অনুভৱ কৰো। এই কথাটো আগতেও দাঙি ধৰা হৈছিল কিন্তু আজি চাৰি বছৰ উকলি গল কোনো কাম হোৱা নাই। দুৰ্ব্বল শ্ৰেণীৰ কল্যাণ সাধনৰ কথা অকল দুৰ্ব্বল শ্ৰেণীয়ে চিন্তা কৰাটো উচিত বুলি মই ভাবো। দুৰ্ব্বল শ্ৰেণীৰ কল্যানৰ কথা সবল শ্ৰেণীৰ লোকে আন্তৰিকতাৰে যদি গ্ৰহণ নকৰে তেন্তে দুৰ্ব্বল শ্ৰেণীৰ একো কল্যাণ নহব বুলি মোৰ ধাৰণা। সেয়ে পৃথক সঞ্চালকালয়ৰ কথা আমি দাঙি ধৰাতকৈ এই সকল শ্ৰেণীৰ নেতৃবৃন্দই দাঙি ধৰা বাঞ্ছনীয়। কাৰণ, অনুসূচীত জনজাতি আৰু অনুসূচীত জাতি সমাজৰ অংশ বিশেষ। সমাজৰ এই লোক সকল যদি পঙ্গু হয় তেন্তে সমাজখনো পঙ্গু হয়। সেয়ে সমাজখন সৰ্ব্বাঙ্গ সুন্দৰ কৰাৰ বাবে অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ কল্যাণৰ হকে পৃথক সঞ্চালকালয়ৰ বাবে শ্ৰীপেগু ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে সেইটো সদনৰ বিবেচনাৰ্থে মযো পূৰ্ণ সমৰ্থন আগবঢ়ালো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য

শ্ৰীপেগু ডাঙৰীয়াই যি মোচন উত্থাপন কৰিছে আৰু সেই মোচন সমৰ্থন কৰি মাননীয় সদস্যসকলে পিচপৰা সম্প্ৰদায় সকলৰ কাৰণে উন্নয়নমূলক আঁচনি গ্ৰহণ কৰা হৈছে আৰু সেই আঁচনিবিলাক ঠিকমতে কাৰ্য্যকৰী হোৱা নাই বুলি উৎগ্ৰীব প্ৰকাশ কৰিছে। চৰকাৰৰ ইচ্ছা যে যিসকল মানুহ সমাজিত অৰ্থ নৈতিক সামাজিকভাৱে পিচপৰা, শিক্ষাত আগবাঢ়িব পৰা নাই তেওঁলোকৰ কাৰণে সাংবিধানিক সুবিধা দিছে। চৰকাৰৰ ফালৰ পৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও অৰ্থ বৰাদ্ধ দিয়া হৈছে। এই কথাবিলাক উপলব্ধি কৰিয়েই চৰকাৰে আঁচনি গ্ৰহণ কৰিছে আৰু তাক কাৰ্য্যকৰী কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। অৱশ্যে এই ধৰণৰ আঁচনি বিলাক কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত যাতে পিচপৰা সম্প্ৰদায়ৰ লোকসকলে সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰে আৰু এই আঁচনিৰ কাৰ্য্যকৰী কৰাৰ ভাৰ যাতে গাওঁ পৰ্য্যায়লৈ যাবপাৰে তাৰ কাৰণে একোটাহঁত বোৰ্ড মহকুমা পৰ্য্যায়ত গঠন কৰি দিয়া হৈছে। ভালে কেইজন মাননীয় সদস্যই এই ধৰণৰ বোৰ্ড বা কমিটি হোৱা নাই বুলি উল্লেখ কৰিছে। পিচপৰা সম্প্ৰদায়ৰ কাৰণে যি বুকগ্ৰাণ্ট দিয়া হয় সেইবিলাক ঠিকমতে দিয়া হোৱা নাই বুলি উল্লেখ কৰিছে। কিন্তু এইবিলাক চোৱাচিতা কৰিবলৈ মহকুমা পৰ্য্যায়ত একোটাকৈ কমিটি আছে। তৃথীয়া শ্ৰেণীটোক আৰ্থিক সাহাৰ্য্য আৰু বেছি সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে একোটাকৈ নিগম গঠন কৰি দিয়া হৈছে। এই নিগমৰ মাধ্যমেদি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ উন্নয়নমূলক আঁচনি কাৰ্য্যকৰী কৰণৰ কাৰণে আৰু এই নিগমৰ যোগেদি সৰবৰাহ কৰাৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে আৰু ব্যৱস্থা লৈছে।

আজি মাননীয় সদস্য সকলে এই আঁচনিবোৰ কাৰ্য্যকৰী কৰাৰ কাৰণে আৰু তাক সক্ৰীয় কৰি তোলাৰ কাৰণে এটা সঞ্চালক লাগে বুলি তেখেত সকলে এটা মোশ্যন ডাঙি ধৰিছে, এই সম্পৰ্কে চৰকাৰে সক্ৰীয়ভাৱে বিবেচনা কৰি আছে।,

মাননীয় উপাধ্যক্ষ ঃ পেগু ডাঙৰীয়াই কিবা কব নেকি?

শ্ৰীমাল চন্দ্ৰ পেগু ঃ মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে নিগম

বিলাকে অনুসূচীত জাতি আৰু জনজাতিয়ে বাস কৰা অঞ্চলবিলাকত এই লোকসকলৰ অৰ্থ নৈতিক উন্নয়নকল্পে আঁচনি বিলাক লব বুলি কৈছে কিন্তু- এই আঁচনিবিলাক কাৰ্য্যকৰী প্ৰকতভাবে হৈছে নে নাই হোৱা তাক চাবলৈ চৰকাৰৰ কোনো মেচিনাৰী নাই তাৰোপৰি ব্লক বিলাকত যিবিলাক ডেভোলপমেণ্ট ব্লক আছে সেইবিলাকে ভালধৰণে কাম কৰিছেনে নাই তাকো চাবলৈ চৰকাৰৰ মেচিনাৰী নাই। গতিকে এইবিলাক কোনে চাব ?.

শ্ৰীঅযোধ্যাৰাম দাস ঃ উন্নয়ন নিগম এই উদ্দেশ্যেই গঠন কৰা হৈছে যে ই এই পিচপৰা অনুসূচীত জাতি আৰু জনজাতিৰ আৰু পিচপৰা সম্প্ৰদায়ৰ লোক সকলৰ কাৰণে আঁচনি প্ৰস্তুত কৰিব আৰু সেই আঁচনি কাৰ্য্যত প্ৰয়োগ কৰিব কিন্তু যিহেতু উন্নয়ন নিগমে এই সম্প্ৰদায়ৰ লোক সকলক বেংকৰ লোন ইত্যাদি পোৱাত সহায় কৰিব বুলি কৈছে কিন্তু এই নিগমৰ হলে কোনো নিজা পুঁজি নাই। কিন্তু সমগ্ৰ ৰাজ্যৰ তেনে ধৰণৰ এটা আঁচনি লব পাৰিব লাগিব যিটো এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। আজি যিটো দেখা যায় এই যে পেগু ডাঙৰীয়াই যিটো 'ডিৰেক্টৰেটৰ' কথা উল্লেখ কৰিছে তাৰ লগত নিগমৰ ফাংশ্যন একে নহব। দুয়োটাৰে ফাংশ্যন বেলেগ বেলেগ। ডিৰেক্টৰেটত অফিচিয়েল কথাবতৰাবিলাক চোৱা চিতা হব, গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই নিগম আৰু ডিৰেক্টৰেটৰ বিষয়ে বুজাই দিব লাগে।

শ্ৰীজগদীশ দাস ঃ এতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এই সংক্ৰান্তত টকা- পইচা বিলাক কেনেকৈ ভালভাবে খৰচ কৰা হয় সেইটো চোৱাৰ কাৰণে চেষ্টা কৰা হৈছে, পেগু ডঙৰীয়াই ডিৰেক্টৰেটৰ বিষয়ে যি উত্থাপন কৰিছে তাক আমি সমৰ্থন জনাইছোঁ। কিন্তু এই টকা-পইচা বিলাক খৰচ কৰাৰ সম্পৰ্কত কি ধৰণে চোৱা চিতা হব ?

শ্ৰীউত্তন চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) ঃ মাননীয় সদস্য পেগু ডাঙৰীয়াই কৈছে যে আঁচনি বিলাক কাৰ্য্যকৰী ঠিকমতে হৈছে নে নাই হোৱা সেইবিলাক চোৱা চিতা কৰিবলৈ কাৰোবাক দায়িত্ব দিয়া হৈছে নে নাই হোৱা ? যিমান বিলাক আঁচনি এতিয়ালৈকে লোৱা হৈছে সেইবিলাক আমাৰ বিভিন্ন বিভাগৰ কৰ্ম্মচাৰী

আৰু বিষয়াই 'এক্সিকিউট' কৰে আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰীয়ে সেই মতে এই কাম বিলাক চোৱা চিতা কৰি আছে আৰু ইয়াৰ বাহিৰেও বৰ্তমান যি চাবডিভিজনেল ডেভোলপমেণ্ট বোৰ্ড গঠন কৰা হৈছে এই বোৰ্ডৰ এজন চেয়াৰমেন আছে তেওঁলোকেই এই আঁচনিৰ কাম কাজ বিলাক ঠিকমতে হৈছে নে নাই হোৱা তাক চোৱা চিতা কৰিবলৈ দায়িত্ব দিয়া হয়। নিগমৰ মাধ্যমেৰে ৰাষ্ট্ৰীয়কৃত বেংক সমূহৰ পৰা দুখীয়া শ্ৰেণীৰ মানুহ বিলাকক সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত যিবিলাক ব্যৱস্থা লোৱা হব সেইবিলাক নিগমে চোৱা চিতা কৰিব। উন্নয়নমূলক আঁচনিত যিখিনি অৰ্থ বৰাদ্দ কৰা হৈছে সেইবিলাক যাতে নিগমৰ মাধ্যমেৰে বোৰ্ডলৈ চেনেলাইজ কৰিব পাৰি সেইটো ব্যৱস্থা কৰা হৈছে। গতিকে এই সংক্ৰান্তত বৰ্তমান যি বিলাক উন্নয়ন মূলক কাম কৰাৰ কাৰণে আঁচনি লোৱা হৈছে এই আঁচনি বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে সকলো ব্যৱস্থা কৰা হৈছে।

Mr Deputy Speaker:- Item No.3.

Shri Mal Chandra Pegu : Mr. Deputy Speaker, Sir, I beg to move that this House do now take into consideration the appointment of a Backward Classes Commission in the State in the same line as has been done in the State of Karnatak and Andhra Pradesh.

Sir, the intention of moving this motion is that how the Govt. could bring these down trodden people to the level of the other advance section of the people. Sir, unless the classes of people who are lagging far behind in the others are found out this Govt. cannot do beneficial works for the uplift of these down trodden people and sir, the, present policy of our Govt is to remove poverty from the people. But if poverty is to be removed from the masses, then Sir, the Govt. must find out who these people are who have been suffering from poverty. Sir, unless these classes of people are singled out, Sir nothing can be done for removal of poverty by the Govt. Sir, the has in the article 32 of the Indian Constitution laid down Constitution to secure to all citizens, inter—alia justice, social—economic and political equality of status and all opportunity and to promote among

them all fraternity and assuring dignity and unity of the nation. Moreover, Sir, under Art.46 of the Indian Constitution it has been clearly laid down that "The state shall promote with special care the educational and economic interests of the weaker sections of the people, and, in particular, of the Scheduled Castes and the Scheduled Tribes, and shall protect them from social injustice and all forms of exploiation" Sir, the Constitution broadly divides these three sections under three classes, namely, Scheduled Caste, Scheduled Tribes and Other Backward Classes, but the Backward Classes have not properly been defined in the Constitution. Although it has not been defined but in the Art.15 (4) and Art.16 (4) it has been clearly mentioned. In Art.15 (4) it is said "Nothing in this article or in clause (2) of article 29 shall prevent the state from making any special provision for the advancement of any socially and educationally backward classes of citizens or for the Scheduled Castes and the Scheduled Tribes". The words socially and educationally backward classes of citizens have implied that the State Government has got the responsibility for advancenent of the socially and educationally backward classes. Sir, in Art.16 (4) it has been mentioned like this—Nothing in this article shall prevent the State from making any provision for the reservation of appointments or posts in favour of any backward class of citizens which in the opinion of the State, is not adequately represented in the services under the State". So, Sir, these two Articles are there and the State Govt. has got the right to prepare list of backward classes for development of the classes. Again, Sir, the report of the Backward Classes Committee submited under the Chairmanship of Mr. Khalialkhar was not accepted by the Govt. of India. The Govt. of India has directed the respective State to prepare their own list of backward classes for the development of the down trodden people. So, Sir, when the Articles 15 (4) and 16 (4) have clearly mentioned that the State Govt, has got the right to prepare their own list of backward classes, I think, our state Govt.

can also prepare the list accordingly. The list which has already been prepared by our State Govt. is not comprehensive one. There are some communities which are really backward they have been left out from this list and there are some communities who are socially and economicaly advanced have been included as backward classes. in the list. So, Sir, it needs revision. Therefore, Sir, I feel it necessary that the present list of backward classes prepared by our State Government requires revision. And, to revise the list a Commission requires to be constituted. And the Members of the Commission would be those who are really interested for the upliftment of the backward class of people. This Commission should be so constituted that it falls in line with Karnataka and Andhra Pradesh States Commission. There the terms of reference should be as follows :

(i) to determine the criteria to be adopted in considering whether any sections of citizens of India in the State of Assam (other than the Scheduled Castes and Scheduled Tribes specified by notification issued by the President of India under articles 341 and 342 of the Constitution of India) may be tretated as socially and educationally backward classes and in accordance with such criteria prepare a list of such backward classes settling out also their approximate numbers and their territoral distribution; (ii) to investigate the conditions of all such socially and educationally backward classes and the difficulties under which they labour ; and make recommendations as to the special provisions which may mack be mack by the Government for their advancement and for promotion of their educational and economic interests, generally and with particular reference to (1) the reservation of seats in educational institutions maintained by the State or receiving aid out of State funds (2) the concessions, such as scholarships which may be given by way of assistance (3) the percentage or proportion of such reservation, the quantum of such assistance and the period during which such reservation or assistance may be made or given and (iii) to

advise the Government as to the backward classes of citizens (other than the Scheduled Castes and the Scheduled Tribes) which are not adequetely represented in the services under the State and prepare a list of all such backward classes and make recommendations as to—(1) the reservation of appointment or posts in favour of such backward classes (2) the percentage or proportion of such reservation and the period during which such reservation may be made. Sir, these are the terms of reference which may be adopted by the Backward Classes Commission to be constituted by the State Govt. and I hope our State Government, for the interest of the down trodden people, will constitute a Backward Classes Commission in Assam in the same lines as those of Andhra and Karnataka. With these few words Sir, I move my motion for the acceptance of the Government.

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমাল চন্দ্ৰ পেগুৱে কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ নিচিনাকৈ বেকৱাৰ্দ কমিচন গঠন কৰিবৰ কাৰণে এটা মোচন ডাঙি ধৰি কেইটামান পৰামৰ্শ আগবঢ়াইছে। অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচ পৰা সম্প্ৰদায় সমূহৰ শিক্ষা, অৰ্থ নৈতিক সমাজিক উন্নয়নৰ কাৰণে সকলো ক্ষেত্ৰতে বিশেষ সুবিধা দি থকা হৈছে। আৰু তেখেতে সংবিধানৰ ১৫ ক্লজ ৪ ত ৰাজ্যৰ যি বিলাক সম্প্ৰদায় শিক্ষা, অৰ্থ নৈতিক আৰু সামাজিক ক্ষেত্ৰত পিচ পৰি আছে তেওঁলোকক বিশেষ ভাবে ৰক্ষণা-বেক্ষণ দিব পৰাৰ কথা কৈছে। এই ক্লজ অনুসৰি আমাৰ ৰাজ্যৰ অন্যান্য পিচ পৰা সম্প্ৰদায় সমূহৰ কাম কাজ বিশেষ ভাবে চোৱা চিতা কৰিবলৈ ৰাজ্যিক পৰ্য্যায়ত অন্যান্য পিচ পৰা সম্প্ৰদায় সকলৰ এডভাইচাৰী কাউনচিল গঠন কৰা হৈছে। আৰু এই বিলাক

কথা এডভাইচাৰী কাউনচিলত বিশেষ ভাবে আলোচনা কৰা হৈছে। আলোচনা কৰি কোন কোন সম্প্ৰদায়ক অন্যান্য পিচ পৰা সম্প্ৰদায়লৈ নিব পাৰে তাৰ কাৰণে পৰামৰ্শ দিবলৈ এটা চাব কমিটি কৰি দিয়া হৈছে। মোৰ বিশ্বাস এই চাব কমিটিয়ে অন্যান্য পিচ পৰা সম্প্ৰদায়ৰ কোন কোন বাদ পৰে কোন কোন সম্প্ৰদায়ক সোমোৱাব পাৰি পৰীক্ষা কৰি আছে। মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়াই চৰকাৰে গঠন কৰি দিয়া অন্যান্য ৰাজ্যৰ এই কেইটা শ্ৰেণীৰ লোকৰ কাৰণে কি সুবিধা আগবঢ়োৱা হৈছে আৰু সুবিধা বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে সেইবোৰ চাই অহাৰ কাৰণে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অ বি চিৰ পৰা এটা দল গৈছিল। এই দলটোৰ দলপতি জনে ইয়াৰ ৰিপৰ্ট চৰকাৰৰ ওচৰত ডাঙি ধৰিব। তেখেতে যিকেইটা পৰামৰ্শ আগবঢ়াইছে, এই ৰিপৰ্ট পালেই চৰকাৰে বেক্ৱাৰ্ড কমিচন গঠন কৰাৰ বিষয়ে বিবেচনা কৰি চাব।

Shri Mal Ch. Pegu : Item No. 4. : Sir I beg to move that this House do now take into consideration the problems of the Scheduled Castes and Scheduled Tribes of the State in regard to education, economic programme and allotment of land ..

মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাবটো সদনত ডাঙি ধৰাৰ লগতে মই কেইটামান কথা যোগ দিব বিচাৰিছো। অসূচীত জাতি, অনুসূচীত জনজাতিৰ শিক্ষাৰ সম্পৰ্কত মই কেইটামান কথা কবলগীয়া হৈছো। অসমত শিক্ষিতৰ হাৰ হৈছে শতকৰা ২৮·২। তাৰ ভিতৰত জনজাতিৰ শিক্ষিতৰ শতকৰা হাৰ হৈছে ২১, অনুসূচীত জাতিৰ শতকৰা শিক্ষিতৰ হাৰ তাতকৈয়ো কম। ১৯৬১ চনৰ চেনচাচ ৰিপৰ্ট মতে জনজাতিৰ শিক্ষিতৰ হাৰ শতকৰা বেচি আছিল কিন্তু এতিয়া কমি গৈছে। তাৰ পৰা আমি দেখিবলৈ পাইছো যে জনজাতি অঞ্চলত যি ধৰণেৰে শিক্ষা প্ৰসাৰৰ ব্যৱস্থা হব লাগিছিল

সেই ধৰণেৰে হোৱা নাই। আজি যদিও অনুসূচীত জাতি, অনুসূচীত জনজাতি বা অন্যান্য পিচ পৰা শ্ৰেণী সমূহৰ অঞ্চল বিলাকত শিক্ষানুস্থান বিলাক গঢ়ি উঠিছে নিৰক্ষৰ লৰা ছোৱালী বিলাকক পঢ়োৱাৰ যি ব্যৱস্থা হাতত লব লাগিছিল তেনে ব্যৱস্থা নোলোৱাৰ কাৰণে এই মানুহ বিলাক পিচ পৰি আছে। আমাৰ বৰ্ত্তমান যি ধৰণেৰে শিক্ষা প্ৰসাৰৰ ব্যৱস্থা কৰিছে সেই ধৰণেৰে কৰিলে আমাৰ মানুহ বিলাক শিক্ষিত হৈ উঠিবলৈ বহুত দিন লাগিব। মই সদনৰ সদস্যসকলক অনুসূচীত জাতি অনুসূচীত জনজাতিৰ অঞ্চল বিলাক চাই আহিবলৈ কৈছো তেতিয়া তেখেত সকলে বুজি পাব যে তাৰ লৰা ছোৱালী বিলাকৰ কি অৱস্থা হৈছে, কি ধৰণেৰে গাৱত এই মানুহ বিলাক আছে। এই সম্প্ৰদায় বিলাকৰ শিক্ষা প্ৰসাৰৰ লগতে সামাজিক যি বিলাক বিশেষ ব্যৱস্থা আছে সেই বিলাকৰো পৰিবৰ্ত্তন কৰিব লাগিব। এতিয়া, যি বিলাক সামাজিক ব্যৱস্থা চলি আছে। এই ব্যৱস্থা বিলাক চলি থাকিলে আমাৰ লৰা ছোৱালী বিলাকক কেতিয়াও ভাল শিক্ষা দিব পৰা নহব। বিশেষকৈ আমাৰ জনজাতি অঞ্চল বিলাকত মদৰ প্ৰচলন চলি আছে। মদ নিবাৰণীৰ ব্যৱস্থা এতিয়াও কাৰ্য্যকৰী হোৱা নাই। মদ জনজাতি অঞ্চলৰ শতকৰা ৯৯ জনেই খায়। আমাৰ চৰকাৰৰ ফালৰ পৰা মদ নিবাৰণ কৰিবৰ ব্যৱস্থা কৰিছে যদিও কিছুমান অঞ্চল "ৰেট এৰিয়া" হৈয়ে আছে। আন ঠাইত নালাগে গুৱাহাটীৰ মেডিকেল কলেজৰ ওচৰতে চুলাই মদৰ প্ৰচলন হৈয়ে আছে। মেডিকেল কলেজৰ হোষ্টেলৰ মুখলৈ মদৰ প্ৰচলন ব্যপক ভাবে হৈ আছে। এই মানুহ খিনিয়ে কেনেকৈ মদ বনাব পাৰি কেনেকৈ বিক্ৰী কৰিব পাৰি সেই বিলাক কথাৰ চিন্তাতে আবদ্ধ আছে লৰা ছোৱালীক যে শিক্ষা দিব লাগে সেই বিলাক কথা এতিয়াও চিন্তা কৰিব পৰা নাই। গতিকে মদ চৰকাৰে বন্ধ কৰিবলৈ কি ব্যৱস্থা কৰিছে মই সেইটো কথা জানিব বিচাৰিছো। মদ নিবাৰণীৰ কথাটো যিমান ভাবে প্ৰচাৰ হব লাগিছিল সেই ধৰণে প্ৰচাৰ নোহোৱাৰ কাৰণেই মদ খোৱা মানুহে মদ খায়েই আছে। যেতিয়া বাৰিষা হব ...

মাননীয় অধ্যক্ষ ঃ এতিয়া চাৰে ১১টা বাজিল। আপুনি পিচত কৰা। The House stands adjourned till 10 A.M. on Monday, the 23rd February, 1976.

Dated Dispur
20th February, 1976

P. D. Barua
Secretary
Assam Legislative Assembly